ভিতৰৰ পৃষ্ঠাত

ডিজিটেল যুগৰ গৰমৰ বন্ধ — পৃষ্ঠা ৪
আত্মনির্ভৰ অসম... — পৃষ্ঠা ৫
শিশুৰ জগতখন আৰু... — পৃষ্ঠা ৭
শিশুৰ জগতখন আৰু... — পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:13 ■ Issue: 48 ■ Guwahati ■ Wednesday ■ 22 July, 2026 Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ৪৮ ■ গুৱাহাটী ■ বুধবাৰ ■ ৫ শাওণ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা


দেশৰ ১৮ খন ৰাজ্যৰ ৫২ গৰাকী শিক্ষাৰ্থীৰ নামভৰ্তি ঃ ৫৭৪ বিঘা মাটিত নিৰ্মাণ কৰা হ'ব স্থায়ী চৌহদ

## আই আই এম, গুৱাহাটীত শিক্ষাবৰ্ষৰ শুভাৰম্ভ


**ষ্টাফ ৰিপৰ্টাৰ ঃ** ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনত এক নতুন যুগৰ সূচনা কৰি যোৱা মঙলবাৰে পলাশবাৰীৰ টেক চিটীৰ অস্থায়ী চৌহদত আই আই এম, গুৱাহাটীৰ প্ৰথমটো শিক্ষাবৰ্ষৰ পাঠ্যক্ৰমৰ শুভাৰম্ভ কৰা হয়। অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি আই আই এম, গুৱাহাটীক দেশৰ এখন আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান হিচাপে গঢ়ি তুলিব ■ ১১ পৃষ্ঠাত



(অধ্যাপক উদয় দত্তৰ স্মৃতি বাৰ্ষিকী উপলক্ষে)

### সেই জীৱন ছবি মনোহৰ

অবিনাশ কলিতা



খোজত ধীৰ, বচনত গহীন, জ্ঞানত গম্ভীৰ— সেইজনা অসমী আইৰ এগৰাকী কৃতী সন্তান, আমাৰ হৃদয়ৰ হেমাসনত অধিষ্ঠিত চিৰনমস্য খুৰাদেউ, অধ্যাপক উদয় দত্ত। নলবাৰী জিলাৰ মাখিবাহা (ক্ষেত্ৰাপাৰা) গাঁৱৰ এখনি সম্ভ্ৰান্ত ঘৰত ১৯৩৮ চনত জন্ম হোৱা উদয় দত্তই টিহুতেই স্কুলীয়া শিক্ষা লাভ কৰি ১৯৫৮ চনত কটন কলেজৰ পৰা আই এছ চি আৰু ১৯৬০ চনত ইংৰাজীত সন্মানসহ বিএ পৰীক্ষাত উত্তীৰ্ণ হয়। পৰৱৰ্তী কালত ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত এম এ পাছ কৰাৰ উপৰি হায়দৰাবাদৰ 'চেণ্ট্ৰেল ইনষ্টিটিউট অব্ ইংলিছ এণ্ড ফৰেইন লেংগুৱেজ'ৰ স্নাতকোত্তৰ ডিপ্লমা লাভ কৰে। ১৯৬৩ চনৰ পৰা আৰ্য বিদ্যাপীঠ কলেজত অধ্যাপনা কৰা দত্তদেৱে ১৯৯৮ চনত ■ দুই পৃষ্ঠাত

পাঁচখন জিলাৰ স্বাস্থ্য ব্যৱস্থাৰ পৰ্যালোচনা

## বান ঃ স্বাস্থ্য বিভাগক সক্ষম হৈ থাকিবলৈ নিৰ্দেশ মন্ত্ৰী অশোক সিংহলৰ



**ষ্টাফ ৰিপৰ্টাৰ ঃ** ৰাজ্যৰ স্বাস্থ্যসেৱাক অধিক শক্তিশালী, জনমুখী আৰু তৃণমূল পৰ্যায়লৈ অধিক ফলপ্ৰসূভাৱে সম্প্ৰসাৰিত কৰাৰ লক্ষ্যৰে ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কোকৰাঝাৰ, চিৰাং আৰু বঙাইগাঁও জিলাৰ স্বাস্থ্য ব্যৱস্থাক লৈ সোমবাৰে এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত উক্ত জিলাকেইখনৰ বিধায়কসকল, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ শীৰ্ষ বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ বিষয়াসকলে ■ ১১ পৃষ্ঠাত

ধিঙত ২২,৮১৮ গৰাকীক উদ্যমিতা অভিযান চেক বিতৰণ

## আগষ্টৰ পৰা পুনৰ বিতৰণ কৰা হ'ব বিনামূলীয়া ৰেচন ঃ মন্ত্ৰী হাজৰিকা

**অসম ভূমি সেৱা, ধিং ঃ** কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী তথা নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাই যোৱা সোমবাৰে নগাঁৱৰ ধিঙত আয়োজিত এক কাৰ্যসূচীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ অধীনত ২২,৮১৮ গৰাকী হিতাধিকাৰীক চেক বিতৰণ কৰে। এই উপলক্ষে ভাষণ প্ৰদান কৰি



মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ জীৱিকা অৰ্জন কৰিবলৈ আৰু ১০ হাজাৰ টকা মহিলাসকলক অৰ্থনৈতিক ■ দুই পৃষ্ঠাত

### ২৫ কোটিৰ ভুৱা আইটিচি কেলেংকাৰী শিলিগুৰিত গ্ৰেপ্তাৰ বৰমাৰ তৃষ্ণা বৰ্মন

**অসম ভূমি সেৱা, বৰমা ঃ** জিএছটি জালিয়াতিৰ বিৰুদ্ধে চলোৱা এক বৃহৎ অভিযানত অসম জিএছটি ইণ্টেলিজেন্স এণ্ড এনফৰ্চমেণ্ট ইউনিটে প্ৰায় ২৫ কোটি টকাৰ ভুৱা ইনপুট টেক্স ক্ৰেডিট কেলেংকাৰীৰ স'তে জড়িত অসমৰ এগৰাকী যুৱতীক পশ্চিমবংগৰ শিলিগুৰিৰ পৰা গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা যুৱতীগৰাকী হৈছে তৃষ্ণা বৰ্মন, অসমৰ বাক্সা জিলাৰ বৰমাৰ বাসিন্দা। অভিযোগ অনুসৰি, তেওঁ একাধিক ভুৱা প্ৰতিষ্ঠান (ফেক ফাৰ্ম) চলাই ভুৱা কৰ চালান (Tax Invoice) প্ৰস্তুত কৰি অবৈধভাৱে ইনপুট টেক্স ক্ৰেডিটৰ লেনদেন চলাই আহিছিল। এই জালিয়াতিৰ পৰিমাণ ২৫ কোটি টকাতকৈও অধিক বুলি তদন্তকাৰী সংস্থাই জানিবলৈ দিছে। প্ৰাৰম্ভিক তদন্তত প্ৰকাশ পোৱা মতে, তৃষ্ণা বৰ্মন কেইবাদিন ধৰি পলাতক অৱস্থাত আছিল। গ্ৰেপ্তাৰৰ পৰা হাত সাৰিবলৈ তেওঁ সঘনাই নিজৰ অৱস্থান সলনি কৰি আছিল। নিৰ্দিষ্ট গোপন তথ্যৰ ভিত্তিত অসম জিএছটি ইণ্টেলিজেন্স এণ্ড এনফৰ্চমেণ্ট ইউনিটে তিনিদিনীয়া অনুসন্ধান অভিযান চলাই অৱশেষত পশ্চিমবংগৰ শিলিগুৰিৰ এখন হোটেলৰ পৰা তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ ■ দুই পৃষ্ঠাত



## ডিব্ৰুগড়ত বিধানসভাৰ দ্বিতীয় চৌহদৰ গৃহ নিৰ্মাণৰ স্থান পৰিদৰ্শন অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ

**ষ্টাফ ৰিপৰ্টাৰ ঃ** অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে সোমবাৰে ডিব্ৰুগড়ৰ খনিকৰত স্থাপন হ'বলগীয়া অসম বিধানসভাৰ দ্বিতীয় চৌহদৰ স্থান পৰিদৰ্শন কৰি ইয়াৰ সবিশেষ পৰিকল্পনাৰ বুজ লয়। পৰিদৰ্শন কালত অসম বিধানসভাৰ অধ্যক্ষগৰাকীয়ে লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) ডিব্ৰুগড় সংমণ্ডলৰ বিষয়া, নিৰ্মাণৰ লগত জড়িত কনচালটেন্সি আদিৰ লগত এই বিষয়ত সবিশেষ পৰ্যালোচনা কৰাৰ লগতে প্ৰতিটো গৃহৰ সা-সুবিধা, ব্যৱস্থাপনা আদিৰো বুজ লয়। ■ দুই পৃষ্ঠাত

## প্ৰথম পৃষ্ঠাৰ পৰা ঃ — সেই জীৱন ছবি মনোহৰ

ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ লৈছিল। মাজতে ললিত চন্দ্ৰ ভৰালী কলেজত তেওঁ এবছৰমান অধ্যক্ষতাও কৰিছিল। উল্লেখ্য, ইয়াৰ পূৰ্বে হেনো মাখিবাহা আৰু হাজো হাইস্কুলতো সাময়িকভাৱে শিক্ষকতা কৰিছিল তেওঁ।

নিৰংকুশ অধ্যয়ন-অধ্যাপনা তথা সৃজনশীল কৰ্মত নিবিষ্ট হৈ এক সৰল, অনাড়ম্বৰ জীৱন যাপনেৰে সমাজত এটা আদৰ্শ থাপি যোৱা এইগৰাকী কৰ্মনিষ্ঠ, সৎ, হৃদয়ৱান পুৰুষৰ বিয়োগ ঘটে ১৯৯৯ চনৰ ৯ জুলাইত। উদয় দত্তৰ ক্ষেত্ৰাপাৰাস্থিত এসময়ৰ ঘাই ঘৰখনিৰ কথা আজিও মনত পৰে। তেওঁৰ পিতৃ সভানাথ দত্ত (কাননগো) আছিল সুদৰ্শন চেহেৰাৰ, উদাৰচিতীয়া, তাহানিৰ গঞা লোকৰ মানত বহু ভাৱসাৰ থলী, থলুৱা সমল ব্যক্তিস্বৰূপ দুৰৈৰ পৰা দেখিয়েই তেওঁলৈ সকলোৰে শ্ৰদ্ধা উপজিছিল। খুৰাদেউৰ স্নেহশীলা মাতৃগৰাকী আছিল জগৎপ্ৰিয়া দত্ত। পিতৃ আৰু পিতৃব্য (প্ৰতাপ দত্ত)ৰ সেই জাকতজিলিকা যৌথ পৰিয়ালৰ সৰু-বৰ সকলোটিৰে মাজত মৰম-চেনেহৰ যিটো বান্ধ আৰু সংস্কাৰমুখী আদৰ্শ আছিল সেয়াও যথাৰ্থতে বিৰল।

অধ্যাপক উদয় দত্তৰ বিয়োগৰ সাতাইশটা বছৰৰ পাছতো আৰু উজলি উঠিছে সেই অম্লান ব্যক্তিসত্তাৰ স্বৰূপ। তেওঁৰ জীৱন যেন মংগলময় সাধনাৰ এক সফল কাৰ্যক্ৰম ভৰা নৈৰ নিছিগা ধাৰৰ দৰে প্ৰাণোচ্ছল সেই জীৱনৰ গতি। জীৱন বাটত মেধা-মনীষা, প্ৰজ্ঞা আৰু প্ৰমূল্যবোধৰ সন্তুলন ৰক্ষা কৰা, বিপুল প্ৰতিভা-দক্ষতাৰে জনমানসত উজলি উঠা এনে এগৰাকী মহান ব্যক্তিৰ জীৱন চৰ্চা কৰিবৰ জোখাৰে আমাৰ জ্ঞান তেনেই তুচ্ছ। আজি তেওঁৰ সাতাইশসংখ্যক স্মৃতি বাৰ্ষিকীৰ পৱিত্ৰ ক্ষণতো হৃদয়জুৰি জাগি আছে অমল শ্ৰদ্ধাসিক্ত সেই সোঁৱৰণৰ এক অব্যক্ত আকুলতা- সাঁচতীয়া অনুভৱৰ এটি মিঠা শিহৰণ। শ্ৰদ্ধাৰ দুধাৰি চকুলোৰে চৰণ তিয়াই দিবলৈ তেওঁ যে নাই। তথাপি মনৰ চকুৰে দেখিছো-বিপুল প্ৰতিভাৰে অলংকৃত এইজনা পুৰোধাৰ দীপ্তিময় ছবি-ব্যক্তিসত্তাৰ জিলিঙনি।

স্মৃতিচাৰণ কেতিয়াবা হয়তো আনুষ্ঠানিক নহ'বও পাৰে। দত্ত খুৰাদেৰে নিজেও হেনো আনুষ্ঠানিকতাসৰ্বস্ব স্মৃতিচাৰণ ভাল নাপাইছিল। তেওঁৰ ভাষাৰে— 'যিজনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়, তেওঁ থৈ যোৱা ঐতিহ্যৰে যদি আমি আমাৰ জীৱন-মনন সমৃদ্ধ নকৰো, তেন্তে স্মৃতিচাৰণ অৰ্থহীন হ'ব।' যথাৰ্থতে তেওঁৰ এই উক্তি বহুমূলীয়া। বিদ্বৎ সমাজত চিৰবন্দিত সেই ব্যক্তিত্বৰ জুৰ ছাঁত এই নিঃকিনে মন-বুদ্ধি, চিত্ত-অহংকাৰ সমূলি সঁপি দি পুণ্যাত্মাগৰাকীলৈ শতবাৰ প্ৰণতি জনাইছো। যিসকল মান্য, বিশিষ্ট লোকৰ প্ৰেৰণাৰে আমাৰ একালৰ সৰু পৃথিবীখন উপচি আছিল, যিসকল গুণী-যশস্বী পুৰুষৰ ব্যক্তিত্ব-আদৰ্শ শিৰত তুলি জীৱনত খোজ পোনাবলৈ হাবিয়াহ জাগিছিল— সেইসৰৰ মাজত বিশেষজন আছিল শ্ৰদ্ধাৰ উদয় দত্ত। একে সময়তে চৰ্চিত হৈছিল তেওঁৰ তলতীয়া ভাতৃ, অসমৰ এগৰাকী জ্যেষ্ঠ, অভিজ্ঞ চিকিৎসক তথা অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, শ্ৰদ্ধাৰ ডাঃ নৰেন দত্তৰ নাম। স্বাধীনতাৰ পূৰ্বেই ক্ষেত্ৰাপাৰাৰ দৰে এখনি জকাইচুকীয়া গাঁৱৰ পৰা যথেষ্ট শ্ৰম-সাহ, অধ্যৱসায় আৰু আত্মবিশ্বাসৰ গুণে জীৱনত প্ৰতিষ্ঠা লাভ কৰা এনে সৎ, প্ৰতিভাৱান ব্যক্তিৰ দৃষ্টান্ত বিৰল বুলিব পাৰি। ১৯৫৬ চনৰ পৰা গুৱাহাটীত নিগাজিকৈ থাকিবলৈ ল'লেও ওপজা গাঁওখনে ইয়াৰ বায়ু-প্ৰকৃতি, পথাৰ-পিটনি-জান, কেঁচা আলি-পদূলিয়ে যেন তেওঁক অহৰহ হাত বাউল দি মাতিছিল। ক্ষুদ্ৰ ভোগ-লালসাৰ পৰা বহু যোজন নিলগত অৱস্থান কৰা, প্ৰচাৰবিমুখ উদয় দত্তদেৱৰ জীৱন-মননৰ ঘাই শিপাডাল আছিল চিৰ-ক্ষেত্ৰাপাৰাত। সেইবাবে আপোন গাঁওখনৰ মেহনতী গঞা লোকৰ সান্নিধ্য পাবলৈ বিয়াকুল হৈ আছিল তেওঁ। স্বভাৱতে মানুহমুখী মানুহজনে এৰি অহা দিনৰ সুৰীয়া স্মৃতি ছবিকে অহৰহ বুকুৰ চন্দুকত কঢ়িয়াই ফুৰিছিল। ইংৰাজী বিষয়ৰ অধ্যাপক হৈও অসমীয়া ভাষা-সাহিত্যলৈ থকা প্ৰগাঢ় প্ৰেম-অনুৰাগ আৰু স্বাভিমান আছিল তেওঁৰ চেতনাৰ ঘাই অংগ। ওপজা মাটিৰ প্ৰেম, সমাজ উৎকৰ্ষৰ চেতনা আৰু ভাষা-সাহিত্যৰ ক্ষেত্ৰত গভীৰ সংবেদনশীলতা আছিল তেওঁৰ ব্যক্তিত্বৰ আন এক বিশেষত্ব।

প্ৰকাশিত গ্ৰন্থৰ লেখেৰে তেওঁ অসমৰ মূধাফুটা বা জনপ্ৰিয় লেখক-সাহিত্যিকৰ বাছনিত নুঠিব পাৰে। কিন্তু তেওঁৰ ৰচনাবোৰত চিত্তাকৰ্ষক, নিৰ্মেদ গদ্যশৈলীৰ চানেকি পোৱা যায়। তেওঁৰ লেখাৰ বিষয়বস্তু উপস্থাপনত সাৱলীলতা, সঠিক শব্দৰ বাছনি আৰু প্ৰয়োগত সূক্ষ্ম শৈল্পিক বিচাৰ পৰিদৃষ্ট হৈছিল আৰু থলুৱা তথা আনাখৰী লোকৰ মুখে মুখে প্ৰচলিত ভাষাকো তেওঁ যথাৰ্থতে আদৰ কৰিছিল। ১৯৭৬ চনত অসম সাহিত্য সভাই প্ৰকাশ কৰা তেওঁৰ 'চুটিগল্প', ১৯৭৩ চনত ড° গোবিন্দ প্ৰসাদ শৰ্মাৰ সৈতে লেখা 'A STUDY OF PRE-UNIVERSITY ENGLISH PROSE & POETRY', অধ্যাপক টাবু টাইদৰ সৈতে লেখা 'ENGLISH FOR SCHOOLS' মৃত্যুৰ পিছত প্ৰকাশিত পুথি 'সাহিত্যৰ ৰস আস্বাদন', সাহিত্যৰ বুৰঞ্জী প্ৰভৃতি গ্ৰন্থৰ মাজত পাণ্ডিত্য প্ৰতিভা ফুটি ওলাইছে। তদুপৰি এসময়ত আকাশবাণী গুৱাহাটী কেন্দ্ৰযোগে প্ৰায়েই উদয় দত্তৰ শিক্ষামূলক আলোচনা (কথিকা)ৰ সম্প্ৰচাৰ শুনা গৈছিল। তেনেকৈ এগৰাকী দায়িত্বশীল সাহিত্য সমালোচক, নিবন্ধকাৰ, সুবক্তা তথা পত্ৰলেখক হিচাপেও উদয় দত্তক সতকাই পাহৰিব নোৱাৰি। তেওঁৰ মুকুতাবুলীয়া হাতৰ আখৰেৰে লিখা চিঠিখনো বাৰে বাৰে পঢ়িবৰ মন। তেওঁৰ হাতে লিখা এখনি বিয়াৰ নিমন্ত্ৰণী পত্ৰ আমি হেঁপাহেৰে সাঁচি ৰাখিছিলো। তেনেকৈ তেওঁৰ ৰসঘন, উপাদেয় কথাবোৰ শুনিলে শুনি থাকিব পাৰি, তেওঁৰ কথনশৈলীৰ প্ৰাণময়তাত আমি সঁচাই অভিভূত হৈছিলো। ভাবিছো, কাহানিও পাহৰিব নোৱাৰা খুৰাদেউৰ ব্যক্তিসত্তাত এনে কি চৌম্বিক বল আছিল- যিয়ে আমাক আজিও পঢ়াশলীয়া দিনৰ সোঁৱৰণিৰ লুংলুঙীয়া বাটেদি টানি লৈ যায়। উদয় দত্ত খুৰাদেৱে আটোমটোকাৰিকৈ গঢ়ি যোৱা গুৱাহাটীৰ ঘৰখনত, পৰিয়ালৰ মাজত যে আজিও পূৰ্বৰ সুস্থ আদৰ্শৰ এটি ধাৰা বৰ্তি আছে- ই অতিশয় আশাব্যঞ্জক, সুখৰ কথা। তেওঁৰ সুযোগ্য সহধৰ্মিণী, অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ দুহিতা (শ্ৰদ্ধাৰ খুৰীদেউ) যুগব্ৰতা দত্তয়ো সাহিত্য-সংগীতৰ চৰ্চাৰ উপৰি সমাজ উৎকৰ্ষৰ প্ৰচেষ্টাত নিবিড়ভাৱে লিপ্ত হৈ আছিছে। আমি ভাবো- একপ্ৰকাৰে স্থিতপ্ৰজ্ঞৰ শাৰীত উঠা এইজনা মহান লোকৰ সজ আদৰ্শৰ বাট অনুসৰণ কৰিয়েই তেওঁৰ পৰিয়ালৰ সদৌটিৰে জীৱন ধন্য হ'ব, ভগৱানে কৃপা বৰিষণ কৰিব। সেই জীৱনাদৰ্শৰ অমৃত বীজে পুলি-পোখা মেলি সমাজ জীৱন জাতিস্কাৰ কৰিব। অধ্যাপক উদয় দত্তৰ অনুপম জীৱন-স্মৃতি আমাৰ মন বনত গুটিমালি ফুলৰ সুবাস হৈ ৰ'ব চিৰদিন।

## শিলিগুৰিত গ্ৰেপ্তাৰ বৰমাৰ তৃষ্ণা বৰ্মন

সক্ষম হয়। তেওঁ বেংগালুৰুৰ পৰা এমবিএ ডিগ্ৰী লাভ কৰা বুলি জানিব পৰা গৈছে। এই অভিযান অসম জিএছটি ইণ্টেলিজেন্স এণ্ড এনফৰ্চমেণ্ট ইউনিটে অসম আৰক্ষীৰ বিশেষ টাস্কফৰ্চৰ সহযোগত, বিষয়া মনোজ কুমাৰ দোৱাৰীৰ নেতৃত্বত চলোৱা হৈছিল। গ্ৰেপ্তাৰৰ পিছত তৃষ্ণা বৰ্মনক পশ্চিমবংগৰ এখন আদালতত হাজিৰ কৰোৱা হয়। তদন্তকাৰী বিষয়াসকলে প্ৰকাশ কৰা মতে, এই বহু কোটি টকাৰ কেলেংকাৰীত তৃষ্ণা বৰ্মনৰ ভাতৃ সুৰজিৎ বৰ্মনৰো জড়িত থকাৰ অভিযোগ আছে। বৰ্তমান তেওঁ পলাতক হৈ আছে আৰু তেওঁক বিচাৰি অভিযান অব্যাহত ৰাখিছে তদন্তকাৰী সংস্থাই। ইয়াৰ উপৰি ভুৱা চালান আৰু অবৈধ আইটিচি লেনদেনৰ এই বৃহৎ চক্ৰৰ সৈতে জড়িত আন কেইবাজনো ব্যক্তি থকাৰ সন্দেহ প্ৰকাশ কৰিছে তদন্তকাৰী বিষয়াসকলে। এই সন্দেহভাজনসকলৰ ভূমিকা তদন্তৰ আওতালৈ অনা হৈছে। উল্লেখ্য যে এইবাৰেই প্ৰথমবাৰৰ বাবে অসম ৰাজ্যিক জিএছটি বিভাগে ৰাজ্যৰ বাহিৰত অভিযান চলাই এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। আন্তঃৰাজ্যিক ভুৱা জিএছটি জালিয়াতি আৰু আইটিচি কেলেংকাৰীৰ বিৰুদ্ধে এই অভিযানক এক উল্লেখযোগ্য সফলতা হিচাপে গণ্য কৰা হৈছে। বৰ্তমান এই সমগ্ৰ কেলেংকাৰীৰ তদন্ত অব্যাহত আছে। তদন্ত আগবঢ়াৰ লগে লগে এই বৃহৎ জালিয়াতি চক্ৰৰ স'তে জড়িত অধিক লোকৰ নাম পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## ডিব্ৰুগড়ত বিধানসভাৰ দ্বিতীয় চৌহদৰ

পৰিদৰ্শন কালত ডিব্ৰুগড় কেপিটেল কমপ্লেক্স উন্নয়ন প্ৰাধিকৰীৰ অধ্যক্ষ তথা ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰী, অসম বিধানসভাৰ সচিব ৰাজীৱ ভট্টাচাৰ্যৰ লগতে লোক নিৰ্মাণ বিভাগৰ উচ্চপদস্থ বিষয়া সকল উপস্থিত থাকে। ইয়াৰ পিছতে প্ৰস্তাৱিত বিধানসভা চৌহদ নিৰ্মাণস্থলীত উপস্থিত থকা স্থানীয় সাংবাদিকসকলৰ স'তে হোৱা বাৰ্তালাপত বিধানসভাৰ অধ্যক্ষগৰাকীয়ে কয় যে অসমৰ দ্বিতীয় ৰাজধানীখন ডিব্ৰুগড়ত নিৰ্মাণ কৰাৰ বাবে অসম চৰকাৰে ইতিমধ্যে সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানত তেওঁ আজি প্ৰস্তাৱিত দ্বিতীয় ৰাজধানীৰ বিধানসভা নিৰ্মাণৰ স্থান পৰিদৰ্শন কৰাৰ লগতে ইয়াৰ প্ৰাক্‌কলন, নিৰ্মাণৰ পৰিকল্পনা আদিৰ বুজ লোৱাৰ উপৰি তদাৰক কৰিছে। তেওঁ লগতে কয় যে ভৱিষ্যতৰ বৰ্ধিত প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত কিছু সংযোজনৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। মুখ্যমন্ত্ৰী তথা লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সম্পৰ্কত সিদ্ধান্ত ল'ব বুলি তেওঁ কয়। বিধানসভাখনে যাতে ডিব্ৰুগড়ৰ স্বকীয় বৈশিষ্ট্য বহন কৰে বা বিধানসভাৰ অধিৱেশন নচলাৰ সময়ত যাতে ই এক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে চিহ্নিত হয় তাৰ প্ৰতি যথোচিত গুৰুত্ব প্ৰদান কৰা হ'ব বুলিও তেওঁ কয়। নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'লে বৰ্তমানৰ ষষ্ঠদশ অসম বিধানসভাৰ এখন অধিৱেশন এই চৌহদত অনুষ্ঠিত কৰিব পৰা যাব বুলিও আশা প্ৰকাশ কৰে।

## আগষ্টৰ পৰা পুনৰ বিতৰণ কৰা হ'ব

স্বাধীনতা লাভ কৰিবলৈ প্ৰদান কৰা এক শক্তিশালী মাধ্যম। মন্ত্ৰীগৰাকীয়ে হিতাধিকাৰীসকলক এই ১০,০০০ টকাৰ প্ৰাৰম্ভিক মূলধন সঠিকভাৱে ব্যৱহাৰ কৰি ব্যৱসায় প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়, যাৰ জৰিয়তে তেওঁলোকে এই আঁচনিৰ পৰৱৰ্তী পৰ্যায়ৰ ২৫,০০০ আৰু ৫০,০০০ টকাৰ সাহাৰ্য লাভ কৰিবলৈ যোগ্য বিবেচিত হ'ব পাৰিব। মন্ত্ৰী হাজৰিকাই বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনত গ্ৰহণ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ, উন্নত পথ আন্তঃগাঁথনি, দৰিদ্ৰ পৰিয়ালক বিনামূলীয়া ৰেচন আৰু বিদ্যালয়-মহাবিদ্যালয়ত শিক্ষাৰ্থীৰ বিনামূলীয়া নামভৰ্তিৰ দৰে বিভিন্ন কল্যাণকামী আঁচনিৰ বিষয়েও উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে কেনেকৈ এক সৰ্বাংগীণ উন্নয়নৰ সূচনা কৰিছে, সেই কথা তেওঁ বিশেষভাৱে আলোকপাত কৰে। তেওঁ লগতে ঘোষণা কৰে যে অহা মাহৰ পৰা আকৌ বিনামূলীয়া ৰেচন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। বৰ্তমানৰ চৰকাৰখনে ভাষিক আৰু ধৰ্মীয় বৈষম্যৰ উৰ্ধ্বত গৈ জনসাধাৰণক সম্পূৰ্ণ নিৰপেক্ষভাৱে চৰকাৰী সুবিধা প্ৰদান কৰি আহিছে আৰু কোনো এটা অঞ্চলেই উন্নয়নমূলক পদক্ষেপৰ পৰা বঞ্চিত হৈ থকা নাই বুলি তেওঁ কয়। ভাষণ প্ৰসংগত তেওঁ কয় যে মথাউৰি নিৰ্মাণ আৰু বান সুৰক্ষা ব্যৱস্থাই ধিং সমষ্টিৰ ৰাইজক বছৰত দুটা বা তাতকৈ অধিক খেতি কৰাত সহায় কৰিছে। বৰ্তমানৰ চৰকাৰৰ দিনত দুখীয়া অথচ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী চাকৰি লাভ কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয় যে পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত নিযুক্তি প্ৰক্ৰিয়াত চলি থকা দুৰ্নীতি এতিয়া সম্পূৰ্ণৰূপে নিৰ্মূল কৰা হৈছে। কৃষি বিভাগক লৈ নিজৰ পৰিকল্পনা ব্যক্ত কৰি মন্ত্ৰী হাজৰিকাই জনসাধাৰণক অসমৰ অৰ্থনৈতিক উন্নয়নত অৰিহণা যোগাবলৈ কৃষিক আঁকোৱালি লোৱাৰ বাবে আহ্বান জনায়। তেওঁ কৃষকসকলক কৃষি আৰু জলসিঞ্চন দুয়োটা বিভাগৰ পৰাই সম্ভৱপৰ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। উক্ত সভাত বিধায়ক মেহবুব মুক্তাৰ আৰু ৰূপক শৰ্মা, নগাঁৱৰ জিলা উপায়ুক্ত আৰু অন্যান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে ভোমোৰাগুৰিত আয়োজিত আন এখন কাৰ্যসূচীত অংশগ্ৰহণ কৰি নগাঁও-বটদ্ৰৱা সমষ্টিৰ ৮১ টা পৰিয়ালক ভূমি পত্তা বিতৰণ কৰে। উক্ত কাৰ্যসূচীত তেওঁ কেইগৰাকীমান স্থানীয় হিতাধিকাৰীক মহিলা উদ্যমিতা আঁচনিৰ চেকও প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে যিসকলে ভূমি পত্তা লাভ কৰিলে, তেওঁলোকে এতিয়াৰে পৰা কৃষক পঞ্জীয়নৰ বাবেও যোগ্য বিবেচিত হ'ব, যাৰ জৰিয়তে তেওঁলোকে এক পৰিচয় পত্ৰ লাভ কৰিব। এই পঞ্জীয়নে তেওঁলোকক চৰকাৰী বিভিন্ন আঁচনিৰ সা-সুবিধাসমূহ লাভ কৰাত সহায় কৰিব। তেওঁ ৰাইজক নিজৰ কৃষিভূমিসমূহ পেলাই নথৈ খেতি কৰিবলৈ আহ্বান জনায়। কৃষকৰ আয় বৃদ্ধি কৰাৰ বাবে নাৰিকল, তামোল, জালুক আদিৰ দৰে লাভজনক শস্যৰ সমান্তৰাল খেতি কৰাৰ গুৰুত্বৰ ওপৰত তেওঁ বিশেষভাৱে আলোকপাত কৰে।

## বুনিয়াদী শিক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে চৰকাৰে কাম কৰি আহিছে ঃ নাৰায়ণ ডেকা

# বৰভাগৰ আৰংগমৌত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন



**অসম ভূমি সেৱা, বৰভাগ ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত আৰংগমৌ গাঁৱত যোৱা ১৯ জুলাইত এটি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বৰভাগ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত নৱনিৰ্মিত ১৮ নং আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই। উদ্বোধনী উপলক্ষে কেন্দ্ৰটোত আয়োজিত এখন সভাত ভাষণ প্ৰদান কৰি বিধায়ক ডেকাই কয়— মুখ্য মন্ত্ৰী হিমন্তবিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ অংগনৱাড়ী কেন্দ্ৰসমূহক আদৰ্শ অংগনৱাড়ী কেন্দ্ৰলৈ ৰূপান্তৰিত কৰি শিশুসকলৰ বাবে উন্নত আন্তঃগাঁথনি আৰু সুস্থ পৰিৱেশত বুনিয়াদী শিক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে চৰকাৰে কাম কৰি আহিছে। ইফালে তেওঁ পূৰ্বৰ কংগ্ৰেছ চৰকাৰক সমালোচনা কৰি কয়— সেই সময়ত পৰিকল্পনাবিহীনভাৱে আৰু পৰ্যাপ্ত আন্তঃগাঁথনি অবিহনে বহু অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰা হৈছিল। ফলত শিশুসকলে উপযুক্ত পৰিৱেশত বুনিয়াদী শিক্ষা লাভৰ পৰা বঞ্চিত হৈছিল। উল্লেখ্য যে দিনৰ এঘাৰ বজাত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বিধায়কগৰাকীৰ সৈতে উপস্থিত থাকে নলবাৰী জিলা পৰিষদৰ সভানেত্ৰী গীতুমণি বৈশ্য, নলবাৰী জিলা বিজেপিৰ সম্পাদক লক্ষী কলিতা, ৪৬ নং উপৰ বৰভাগ গাঁও পঞ্চায়তৰ সভাপতি মৃণ্ময় দায়, বৰভাগ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী দলিমা কলিতাৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি।

## চৰকাৰে নিৰ্মাণ কৰিব লাচিত বৰফুকন-কুশল কোঁৱৰৰ জীৱনভিত্তিক চলচ্চিত্ৰ

**গুৱাহাটী ঃ** ইংলেণ্ডৰ গ্লাছগো চহৰত অনুষ্ঠিত কমনৱেলথ গেমছত ভাৰতীয় দলৰ ফ্লেগ বিয়েৰাৰ হিচাপে ভাৰতীয় অলিম্পিক সন্থা আৰু ভাৰত চৰকাৰৰ ক্ৰীড়া মন্ত্ৰালয়ে অলিম্পিয়ান, অসমৰ গৌৰৱ লাভলিনা বৰগোহাঁইক মনোনীত কৰিছে। অসম বিজেপিৰ মুখপাত্ৰ ব্ৰজেন মহন্তই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত লাভলিনা বৰগোহাঁইক শুভেচ্ছা জনোৱাৰ লগতে কমনৱেলথ গেমছত ভাৰতীয় দলত প্ৰতিনিধিত্ব কৰা সুদক্ষ বক্সাৰ লাভলিনাই পুনৰ ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে। কমনৱেলথ গেমছত ভাৰতক প্ৰলিনিধিত্ব কৰা লন বল খেলুৱৈ নয়নমণি শইকীয়া, পুতুল সোণোৱালকে ধৰি প্ৰতিগৰাকী খেলুৱৈক শুভেচ্ছা জনাইছে। ক্ৰীড়াৰ লগতে কথাছবি জগততো অসমীয়াই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বুলি মুখপাত্ৰ ব্ৰজেন মহন্তই উল্লেখ কৰি যদুমণি দত্তই পৰিচালনা আৰু প্ৰযোজনা কৰা 'জুইফুল'-এ অসমীয়া ভাষাৰ শ্ৰেষ্ঠ ছবি শিতানত ৭২ সংখ্যক ৰাষ্ট্ৰীয় ফ্লিম এৱাৰ্ড, ২০২৪ বৰ্ষৰ ৰজত কমল বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে অনুচ্ছেদ ৩৭০ নামৰ ছবিখনে ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ছবি সন্মান লাভ কৰিছে। অসম বিধানসভাত যোৱা ১০ জুলাইত উত্থাপন কৰা অসম বাজেটত ২০২৬-২৭ৰ ৰাজ্য চৰকাৰে অন্যান্য ক্ষেত্ৰৰ লগতে ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰখনক আগুৱাই নিবলৈ বহুতো বাস্তৱসন্মত কৰ্মসূচী হাতত লৈছে। বীৰ লাচিত বৰফুকন আৰু স্বাধীনতা সেনানী কুশল কোঁৱৰৰ জীৱনভিত্তিক কথাছবি নিৰ্মাণ কৰাৰ বাবে ইতিমধ্যে বাজেট নিৰ্ধাৰণ কৰিছে। তদুপৰি লাচিত বৰফুকনৰ ছবিখন নিৰ্মাণৰ পৰিকল্পনাৰ বাবে মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই দেশৰ বিখ্যাত চলচ্চিত্ৰ পৰিচালক আদিত্য ধৰৰ সৈতে বিশেষ আলোচনাত মিলিত হৈছে বুলি মুখপাত্ৰগৰাকীয়ে সংবাদ মাধ্যমৰ আগত সদৰী কৰে।

# নহিৰাৰ ৰাজহুৱা জগদ্ধাত্ৰী পূজা মন্দিৰ পুনৰ নিৰ্মাণৰ শিলান্যাস ব্যৱসায়ী শৰৎ দাসৰ

**অসম ভূমি সেৱা, ৰামপুৰ ঃ** সমগ্ৰ দক্ষিণ কামৰূপৰ এক অন্যতম ধৰ্মীয় ঐতিহ্য হৈছে নহিৰাৰ ৰাজহুৱা শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজা। চলিত ২০২৬ বৰ্ষত মহাৰজত জয়ন্তী উদ্‌যাপন কৰিবলৈ এই পূজা সমাৰোহখনে ইতিমধ্যে সাজু হৈছে। বিগত সাত দশকতকৈও অধিক সময় আই শ্ৰীশ্ৰীজগদ্ধাত্ৰীৰ পূজা-অৰ্চনা কৰি থকা ৰাইজ গয়ৰহৰ পুৰণি মন্দিৰটো ভাঙি পুনৰ নিৰ্মাণৰ বাবে শিলান্যাস কৰা হৈছে। কেইবালক্ষ টকা ব্যয়সাপেক্ষে মন্দিৰটো নিৰ্মাণ কৰিবলৈ আগবাঢ়ি আহিল নহিৰাৰ আগশাৰীৰ ব্যৱসায়ী শৰৎ দাস। পিতৃ প্ৰয়াত গজিন দাসৰ পৱিত্ৰ স্মৃতিত ৰাইজ গয়ৰহৰ মন্দিৰটো নিৰ্মাণ কৰি দিবলৈ ওলোৱা দাতা শৰৎ দাসে পলাশবাৰীৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যৰ উপস্থিতিত শিলান্যাস পৰ্বৰ আৰম্ভ কৰে। সম্পূৰ্ণ বৈদিক ধৰ্মীয় পৰম্পৰাৰে এই কাৰ্য সম্পন্ন কৰাৰ পূৰ্বে এখন সভা অনুষ্ঠিত হয়। নহিৰা ৰাইজ গয়ৰহৰ সভাপতি প্ৰবীণ গোস্বামীৰ উপস্থিতিত আৰু সহকাৰী সম্পাদক ৰমেন্দ্ৰ কলিতাই আঁত ধৰা সভাখনত বিধায়ক হিমাংশু শেখৰ বৈশ্যই নহিৰাৰ ৰাজহুৱা জগদ্ধাত্ৰী পূজাৰ মন্দিৰ নিৰ্মাণৰ দায়িত্ব লোৱা বাবে শৰৎ দাস আৰু পৰিয়ালবৰ্গক ভূয়সী প্ৰশংসা কৰে। নহিৰা ৰাইজ গয়ৰহৰ সভাপতি প্ৰবীণ গোস্বামীয়ে আদৰণী ভাষণ ৰখা সভাখনত বিধায়ক হিমাংশু শেখৰ বৈশ্যৰ লগতে ৰামপুৰৰ সমাজহিতৈষী প্ৰভাস চন্দ্ৰ চৌধুৰী, বিজেপিৰ জিলা সভাপতি অঞ্জন গোস্বামী, জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মা, কাউন্সিলৰ অণিমা দাস, ৰামপুৰ মণ্ডল বিজেপিৰ সভাপতি খনীন্দ্ৰ মেধি প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় ৰাইজ গয়ৰহে। তদুপৰি মন্দিৰ নিৰ্মাণৰ দাতা শৰৎ দাসে বিধায়ক হিমাংশু শেখৰ বৈশ্যক পৰিয়ালৰ ফালৰ পৰা উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। সভাখনত নহিৰা ৰাইজ গয়ৰহৰ উপ-সভাপতি আৰণি কলিতা, নৰেন চন্দ্ৰ শৰ্মা, সাধাৰণ সম্পাদক উমেশ চন্দ্ৰ কলিতা, সহকাৰী সম্পাদক ৰমেন্দ্ৰ কলিতা, ভৃগু ৰাজবংশী, কোষাধ্যক্ষ অৰুণ দাসৰ লগতে বিষয়ববীয়া আৰু সদস্যবৰ্গ, শৰৎ দাসৰ মাতৃ আৰতি দাস, ধীৰেন ডেকা, তৰুণ দাস, মাধৱ হাজৰিকা, উমেশ ঠাকুৰীয়া, মহেশ্বৰ ঠাকুৰীয়া, ধীৰেন কুমাৰ, জ্যোতিষ ভাগৱতী, হীৰেন চন্দ্ৰ দাস, চন্দ্ৰকান্ত নাথ, পৰেশ দাস, সুৰেন কলিতা, অধিবক্তা জয়ন্ত গোস্বামী, পবিত্ৰ কুমাৰ, কমল শৰ্মা, কিশোৰ গোস্বামী প্ৰমুখ্যে কৰি দুই শতাধিক নহিৰাৰ ৰাজহুৱা-সামাজিক জীৱনৰ বিশিষ্ট লোক উপস্থিত আছিল।



## কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ সহযোগ

# নলবাৰীত উন্নত জাতৰ হাঁহ-কুকুৰা পোৱালি বিতৰণ

**অসম ভূমি সেৱা, নাথকুছি ঃ** নলবাৰী জিলা কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ (আত্মা)ৰ সহযোগত জিলা কৃষি বিভাগৰ অন্তৰ্গত ছটাকৈ কৃষি উন্নয়ন খণ্ডত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ এক বিশেষ উন্নত জাতৰ হাঁহ আৰু সোণালী কুকুৰা পোৱালি হিতাধিকাৰী কৃষক-পশুপালকসকলৰ মাজত বিতৰণ কৰা হয়। জিলাখনৰ টিহু, ঘগ্ৰাপাৰ পূব নলবাৰী, পশ্চিম নলবাৰী, মধুপুৰ আৰু বৰভাগ উন্নয়ন খণ্ডৰ নিৰ্বাচিত হিতাধিকাৰী কৃষক-পশুপালকসকলৰ মাজত এই উন্নত সোণালী প্ৰজাতিৰ কুকুৰা আৰু হাঁহৰ পোৱালি বিতৰণ কৰে নলবাৰী জিলা কৃষি বিষয়া দিবাকৰ ডেকা আৰু মহকুমা কৃষি বিষয়া জাকিৰ হুছেইনে। কেৱল কুকুৰা পোৱালিয়েই নহয়, বৰং কৃষকসকলে যাতে এইবোৰ বিজ্ঞানসন্মতভাৱে প্ৰতিপালন কৰি উপযুক্ত লাভ অৰ্জন কৰিব পাৰে, তাৰ বাবে আত্মাৰ তৰফৰ পৰা অতি উচ্চ মানৰ দানা, আৱশ্যকীয় প্ৰতিষেধক, ঔষধৰ লগতে পানী-দানা খুৱাব পৰা বিশেষ পাত্ৰ আদিও যোগান ধৰা হয়। অনুষ্ঠানত বিভাগটোৰ উপ-প্ৰকল্প সঞ্চালক ডাঃ বিনীতা শইকীয়াই এই সোণালী প্ৰজাতিৰ কুকুৰা আৰু হাঁহ অত্যন্ত লাভজনক বুলি উল্লেখ কৰাৰ লগতে ই থলুৱা পৰিৱেশত সহজে খাপ খাই পৰে আৰু ইয়াৰ ৰোগ প্ৰতিৰোধ ক্ষমতা আন প্ৰজাতিতকৈ বহুখিনি শক্তিশালী বুলি সদৰী কৰে। তদুপৰি এই কুকুৰাই




বছৰত প্ৰায় ১৮০ ৰ পৰা ২২০ টাকৈ কণী উৎপাদন কৰাৰ লগতে ইয়াৰ মাংসৰ চাহিদা বজাৰত যথেষ্ট বেছি বুলিও তেওঁ কয়। তদুপৰি চিএছএছ আৰু আত্মাৰ অধীনত জিলাখনত বৰ্তমান সময়ৰ দ্ৰুত জলবায়ু পৰিৱৰ্তনৰ সৈতে মোকাবিলা কৰিব পৰাকৈ কেনেদৰে আধুনিক প্ৰযুক্তিৰ সহায়ত অতি কম খৰচতে দুগুণ উৎপাদন কৰিব পাৰি, কৃষক তথা পশুপালকসকলৰ বাৰ্ষিক আয় কেনেদৰে বৃদ্ধি কৰিব পাৰি সেই সম্পৰ্কেও প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। এই অনুষ্ঠানত টিহু উন্নয়ন খণ্ডৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপক ডাঃ পৱিত্ৰ দাস, ঘগ্ৰাপাৰৰ বিটিএম ডাঃ ঈশ্বৰ শৰ্মা, বিটিএম ক্ৰমে ডাঃ শুভলক্ষ্মী বৰা, জিণ্টু ৰাজবংশী, ঝৰ্ণা চৌধুৰী আৰু এটিএম হিমাক্ষী শৰ্মা, আব্দুল আজিজ, ডলীমণি পাটোৱাৰী আদি উপস্থিত থাকে।

■ অসম ভূমি ■ ২২ জুলাই, ২০২৬ ■

## সম্পাদকৰ মেজৰ পৰা...

# কৃষক, কৃষিকাৰ্য আৰু মাটি

অসমত ২৫,৩৭২খন জনবসতি থকা গাঁও আছে। ইয়াৰ মুঠ মাটিকালি ৭৭,১৭৮ বৰ্গ কিলোমিটাৰ। ২০২৪ চনৰ প্ৰক্ষেপিত হিচাপমতে অসমৰ গাঁৱত বাস কৰা জনসংখ্য তিনি কোটি চাৰি লাখ— ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ৮৫ শতাংশ। ২০২৪ চনৰ প্ৰক্ষেপিত হিচাপমতে অসমৰৰ ৬২,৬১,১৯২ টা পৰিয়াল গাঁৱত বাস কৰে। অসম এখন কৃষিপ্ৰধান ৰাজ্য বুলি কোৱা হয়। খেতিয়েই অসমৰ মানুহৰ প্ৰধান জীৱিকা। খেতি কৰিবলৈ মাটিৰ প্ৰয়োজন আৰু নানা কাৰণত অসমত খেতিপথাৰ সংকুচিত হৈ আহিছে। খেতি বা কৃষিকাৰ্য এতিয়া আৰু লাভজনক পেছা হৈ থকা নাই। নানা প্ৰতিকূল পৰিস্থিতি নেওচি যিসকল লোক এতিয়াও কৃষিকৰ্মত যুক্ত হৈ আছে, তেওঁলোকে আন বিকল্প নথকাতহে বাপতিসাহোন বৃত্তিটোত লাগি আছে। এইক্ষেত্ৰত এটা চৰকাৰী পৰিসংখ্যা উল্লেখ কৰাটো প্ৰাসংগিক হ'ব। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত ১৯৫১-৫২ চনত অসমৰ জিডিপিলৈ কৃষি আৰু আনুষংগিক খণ্ডৰ অৱদান আছিল ৬৭ শতাংশ আৰু মুঠ কৰ্মশক্তিৰ (১৪-৬০ বছৰৰ কৰ্মক্ষম লোক) ৭০ শতাংশ কৃষিকৰ্মত জড়িত আছিল। তাৰ বিপৰীতে অসমৰ অৰ্থনীতিলৈ কৃষি খণ্ডৰ অৱদান ২০২২-২৩ বৰ্ষত ২০ শতাংশলৈ হ্ৰাস পায়। কৃষি আৰু আনুষংগিক খণ্ডত জড়িত লোকৰ হাৰ মুঠ কৰ্মশক্তিৰ ৪২ শতাংশ হয়গৈ। উক্ত পৰিসংখ্যা ৰাজ্যখনৰ সামগ্ৰিক কৰ্মসংস্থাপনৰ পৰিস্থিতিৰ বাবে উদ্বেগজনক।

আনহাতে বৰ্ধিত জনসংখ্যাৰ চাপ জমিৰ ওপৰত পৰিছে। অসমৰ স্থায়ী বাসিন্দাসকলৰ স্বাভাৱিক জনসংখ্যা বৃদ্ধিয়ে খেতিৰ মাটিৰ উপলব্ধতাৰ ক্ষেত্ৰত গুৰুতৰ সমস্যাৰ সৃষ্টি নকৰিলেহেঁতেন কিন্তু সমস্যা হৈছে ভাৰতৰ অন্য ৰাজ্যৰ লগতে বাংলাদেশ, নেপাল আদি চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ পৰা বৈধ বা অবৈধভাৱে ভাৰতত অনুপ্ৰৱেশ কৰি অসমৰ পতিত মাটিবোৰ দখল কৰি লোৱাতহে। অসমৰ চাহ বাগানবোৰত উদ্বৃত্ত মাটি অৰ্থাৎ চাহখেতিৰ বাবে অনুপযোগী মাটি যথেষ্ট আছিল। কিন্তু সেই মাটি খিলঞ্জীয়া কৃষকৰ বাবে উপলব্ধ নহয়। কাৰণে চাহ বাগানবোৰ নিজস্ব সমস্যা আছে। চাহ বাগানৰ বনুৱা হিচাপে অসমলৈ মধ্যভাৰত, ঝাৰখণ্ড, ছোটনাগপুৰ আদি অঞ্চলৰ পৰা ব্ৰিটিছে আমদানি কৰিছিল। যোৱা প্ৰায় ডেৰশ বছৰে সংখ্যা বৃদ্ধি হৈ তেওঁলোক এক বৃহৎ জনগোষ্ঠীত পৰিণত হ'ল। পূৰ্বতে প্ৰব্ৰজন কৰা বনুৱাসকলৰ সতি-সন্ততিবোৰৰ বাবে বাগানবোৰত কৰ্মসংস্থাপনৰ সুযোগ নোহোৱা হ'ল। বিভিন্ন আদিবাসী সম্প্ৰদায়ভুক্ত এইসকল উদ্বৃত্ত বনুৱাই চাহ বাগানৰ ভিতৰতে পতিত মাটি পালেই সেইবোৰ দখল কৰি খেতি কৰিবলৈ ল'লে। প্ৰাকৃতিক দুৰ্যোগ আদিৰ দ্বাৰা পীড়িত আৰু ভূমিহীন হৈ পৰা খিলঞ্জীয়া লোকৰ বাবে উজনি অসমত অনাবাদী বা পতিত মাটিৰ অভাৱে দেখা দিলে। নামনি আৰু মধ্য অসমৰ চৰ অঞ্চলবোৰ বৰ্তমান বাংলাদেশৰ অন্তৰ্গত মৈমনসিং জিলাৰ পৰা প্ৰব্ৰজন কৰা লোকেৰে ভৰি পৰিল। ব্ৰিটিছৰ শাসনকালত নগাঁও জিলাৰ হাজাৰ বিঘা মাটি মৈমনসিঙীয়া মুছলমান কৃষকক পট্টন দিয়া হৈছিল, সেয়া ইতিহাসত লিপিবদ্ধ আছে। এতিয়া অৱস্থা এনে পৰ্যায়লৈ গৈছে যে অসমৰ ১১ খন জিলাত মৈমনসিঙীয়া লোক সংখ্যাগৰিষ্ঠ হৈ পৰিছে। এই মৈমনসিঙীয়া লোকসকল এতিয়া চৰ অঞ্চলতে সীমাবদ্ধ থকা নাই। পিজিআৰ, ভিজিআৰবোৰো দখল কৰি লৈছে। এইসকলৰ আগ্ৰাসনৰ পৰা ঐতিহ্যপূৰ্ণ স্থান আৰু সত্ৰৰ মাটি ৰক্ষা কৰিবলৈ ৰাজ্য চৰকাৰে আইনৰ সংশোধন কৰিব লগা হৈছে। বাংলাদেশী মূলৰ মৈমনসিঙীয়া কৃষকসকলে নামনি আৰু মধ্য অসমৰ জনগাঁথনি সলনি কৰি দিয়াত সামাজিক উত্তেজনাৰ সৃষ্টি হৈছে। থলুৱা কৃষকসকলৰ সৈতে প্ৰব্ৰজিত মুছলমান কৃষকৰ এই সংঘাত নতুন নহয়। ১৯০১ চনমানৰ পৰাই তৎকালিন বংগদেশৰ পৰা ব্ৰিটিছ চৰকাৰৰ সমৰ্থন আৰু পৃষ্ঠপোষকতাত এই আগ্ৰাসন আৰম্ভ হৈছিল আৰু তাত প্ৰতিবাদো হৈছিল। কিন্তু চৰকাৰৰ তথা ন্যস্ত স্বাৰ্থৰ বাবে ফল ধৰা নাছিল। ইতিমধ্যে হাজাৰ হাজাৰ বিঘা মাটি বাংলাদেশ মূলৰ মুছলমানসকলৰ দখললৈ গুচি গৈছে। অসমৰ মাটিৰ ওপৰত চাপ বৃদ্ধিৰ বাবে জগৰীয়া আন এটা গোষ্ঠী হৈছে গোৰ্খাসকল। সেনা বাহিনীৰ পৰা অৱসৰ গ্ৰহণ কৰি অসমত বসতি স্থাপন কৰা প্ৰাক্তন সৈনিক, গোপালক হিচাপে আহি নিগাজি হৈ পৰা নেপালীসকল আৰু নানা সৰু-সুৰা কাম কৰি জীৱিকা অৰ্জন কৰা গোৰ্খাসকলৰ সংখ্যা তাকৰ নহয়। শেহতীয়াভাৱে খিলঞ্জীয়া লোকসকল সচেতন হোৱা দেখা গৈছে। এই চেতনাবোধক গণ জাগৰণলৈ ৰূপান্তৰিত কৰিব পাৰিলেহে দেশ আৰু জাতি ৰক্ষা পৰিব।



## এক নতুন শৈক্ষিক প্ৰত্যাহ্বান

# ডিজিটেল যুগৰ গৰমৰ বন্ধ

**চন্দন কুমাৰ নাথ**

শেহতীয়াকৈ সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো হোৱা অভূতপূৰ্ব আৰু প্ৰচণ্ড তাপপ্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰ তথা শিক্ষানুষ্ঠানসমূহে গৰমৰ বন্ধৰ সময়সূচীত গুৰুত্বপূৰ্ণ সালসলনি কৰিবলৈ বাধ্য হৈছে। ২০২৬ চনৰ বতৰৰ চৰম পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰভাৱত দেশৰ বিভিন্ন প্ৰান্তত, বিশেষকৈ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত, নিৰ্ধাৰিত শৈক্ষিক কেলেণ্ডাৰৰ সময়তকৈ আগতেই গৰমৰ বন্ধ ঘোষণা কৰা হৈছে। এনে এক অস্বাভাৱিক আৰু দীঘলীয়া বন্ধৰ সময়ছোৱা সকলোৰে বাবে এক গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে। এই সময়ছোৱাত প্ৰতিকূল বতৰৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ কৰি ৰাখিবলগীয়া হোৱাৰ বাবে তেওঁলোকৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ প্ৰতিও বিশেষ গুৰুত্ব প্ৰদান কৰাটো অপৰিহাৰ্য হৈ পৰিছে। সৃষ্টিশীলতা বা সৃজনীশীলতা মানে কেৱল সুন্দৰ ছবি আঁকা বা সুৰীয়া গান গোৱাতেই আবদ্ধ নহয়। আধুনিক শৈক্ষিক গৱেষণাই দৰ্শাইছে যে সৃষ্টিশীলতা হৈছে দৰাচলতে এক জটিল চিন্তাধাৰা, যিয়ে যিকোনো

*অতীতৰ গৰমৰ বন্ধৰ ধাৰণা আৰু বৰ্তমানৰ প্ৰেক্ষাপটৰ মাজত এক বিস্তৰ মানসিক আৰু পাৰিপাৰ্শ্বিক ব্যৱধান দেখা গৈছে। এটা সময়ত গৰমৰ বন্ধ মানেই আছিল আইতাৰ কোলাত বহি শুনা সাধুকথা, মুকলি পথাৰত বোকা-পানীৰ খেল বা গাঁৱৰ পুখুৰীত সাঁতোৰাৰ অনাবিল আনন্দ। কিন্তু বৰ্তমানৰ নগৰীয়া যান্ত্ৰিক জীৱন, অপৰ্যাপ্ত মুকলি ঠাই আৰু কৃত্ৰিম পৰিৱেশত সেইবোৰ যেন ক্ৰমান্বয়ে হেৰাই গৈছে। সাম্প্ৰতিক সময়ত শিক্ষাবিদ আৰু মনোবিজ্ঞানীসকলৰ মাজত সঘনাই চৰ্চা হোৱা এটা প্ৰধান বিষয় হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভয়াৱহভাৱে বৃদ্ধি পোৱা 'ডিজিটেল ফেটিগ' বা স্ক্ৰীণৰ প্ৰতি থকা অত্যধিক আসক্তি। যিহেতু এইবাৰ গ্ৰীষ্মপ্ৰবাহৰ বাবে বহুতো ৰাজ্যত স্কুলসমূহ প্ৰত্যাশিত সময়তকৈ বহু পূৰ্বেই বন্ধ দিবলগীয়া হৈছে, সেয়েহে এই অতিৰিক্ত সময়খিনি কেনেকৈ ফলপ্ৰসূভাৱে আৰু সৃষ্টিশীল চিন্তাধাৰাৰে ব্যৱহাৰ কৰিব পাৰি, সেয়া সকলোৰে বাবে এক গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে।*

ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেৱল জিৰণিৰ সময় নহৈ এক সৃষ্টিশীল আৰু গঠনমূলক যাত্ৰাৰ আৰম্ভণি হোৱাটো অত্যন্ত প্ৰয়োজনীয়। এগৰাকী সজাগ নাগৰিক হিচাপে মই অনুভৱ কৰো যে বৰ্তমানৰ ডিজিটেল যুগত ছাত্ৰ-ছাত্ৰীসকলক স্মাৰ্টফোন বা ইণ্টাৰনেটৰ অত্যধিক আৰু অৰ্থহীন ব্যৱহাৰৰ পৰা আঁতৰাই আনি তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে এক সুপৰিকল্পিত, গৱেষণালব্ধ আৰু সৃষ্টিশীল পৰিৱেশ গঢ়ি তোলাটোৱেই বৰ্তমান সমাজৰ প্ৰধান লক্ষ্য হোৱা উচিত।

অতীতৰ গৰমৰ বন্ধৰ ধাৰণা আৰু বৰ্তমানৰ প্ৰেক্ষাপটৰ মাজত এক বিস্তৰ মানসিক আৰু পাৰিপাৰ্শ্বিক ব্যৱধান দেখা গৈছে। এটা সময়ত গৰমৰ বন্ধ মানেই আছিল আইতাৰ কোলাত বহি শুনা সাধুকথা, মুকলি পথাৰত বোকা-পানীৰ খেল বা গাঁৱৰ পুখুৰীত সাঁতোৰাৰ অনাবিল আনন্দ। কিন্তু বৰ্তমানৰ নগৰীয়া যান্ত্ৰিক জীৱন, অপৰ্যাপ্ত মুকলি ঠাই আৰু কৃত্ৰিম পৰিৱেশত সেইবোৰ যেন ক্ৰমান্বয়ে হেৰাই গৈছে। সাম্প্ৰতিক সময়ত শিক্ষাবিদ আৰু মনোবিজ্ঞানীসকলৰ মাজত সঘনাই চৰ্চা হোৱা এটা প্ৰধান বিষয় হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভয়াৱহভাৱে বৃদ্ধি পোৱা 'ডিজিটেল ফেটিগ' বা স্ক্ৰীনৰ প্ৰতি থকা অত্যধিক আসক্তি। যিহেতু এইবাৰ গ্ৰীষ্মপ্ৰবাহৰ বাবে বহুতো ৰাজ্যত স্কুলসমূহ প্ৰত্যাশিত সময়তকৈ বহু পূৰ্বেই বন্ধ দিবলগীয়া হৈছে, সেয়েহে এই অতিৰিক্ত সময়খিনি কেনেকৈ ফলপ্ৰসূভাৱে আৰু সৃষ্টিশীল চিন্তাধাৰাৰে ব্যৱহাৰ কৰিব পাৰি, সেয়া সমস্যা সমাধানৰ নতুন আৰু উদ্ভাৱনীমূলক পথ মুকলি কৰে। গৰমৰ বন্ধত ছাত্ৰ-ছাত্ৰীসকলক গতানুগতিক পাঠ্যক্ৰমৰ একঘেয়ামীৰ পৰা আঁতৰাই আনি তেওঁলোকৰ চিন্তাশক্তি আৰু কল্পনাশক্তি বৃদ্ধি কৰিব পৰা ব্যৱহাৰিক কাৰ্যত নিয়োজিত কৰিব লাগে। ঘৰুৱা পৰিৱেশতেই বিজ্ঞানৰ সৰু সৰু পৰীক্ষাসমূহ কৰিবলৈ তেওঁলোকক উৎসাহিত কৰিব পাৰি। পাকঘৰত সহজে উপলব্ধ সামগ্ৰীৰে বৈজ্ঞানিক প্ৰক্ৰিয়া বুজিবলৈ চেষ্টা কৰা, পানীৰ পৰিশোধনৰ সাধাৰণ আৰ্হি বনোৱা বা চৌপাশৰ পৰিত্যক্ত সামগ্ৰীৰে নতুন কিবা এটা ব্যৱহাৰযোগ্য বস্তু নিৰ্মাণ কৰা আদি কাৰ্যই তেওঁলোকৰ মনত বিজ্ঞানসন্মত কৌতূহল আৰু বিশ্লেষণাত্মক দৃষ্টিভংগীৰ সৃষ্টি কৰে। এইদৰে হাতে-কামে শিকাৰ ফলত তেওঁলোকে কেৱল পুথিগত বিদ্যাতে আবদ্ধ নাথাকি বাস্তৱ জীৱনৰ অমূল্য অভিজ্ঞতা অৰ্জন কৰিবলৈ সক্ষম হয়, যিটো ভৱিষ্যতৰ কৰ্মজীৱনৰ বাবেও অত্যন্ত প্ৰয়োজনীয়।

বৰ্তমানৰ সহজে উপলব্ধ আৰু ক্ষণস্থায়ী মনোৰঞ্জনৰ যুগত, গভীৰ মনোযোগেৰে কিতাপ পঢ়াৰ অভ্যাস ক্ৰমান্বয়ে লোপ পাবলৈ ধৰিছে। গৰমৰ বন্ধ হৈছে এই হেৰাই যাবলৈ ধৰা অভ্যাসটো পুনৰুজ্জীৱিত কৰাৰ এক সুৱৰ্ণ সুযোগ। ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ পছন্দ অনুসৰি কিতাপ বাছনি কৰিবলৈ পূৰ্ণ স্বাধীনতা দিব লাগে। সেয়া লাগিলে ৰহস্যময় সাধুকথা, কল্পবিজ্ঞান, ভ্ৰমণ কাহিনী, বুৰঞ্জীমূলক আখ্যান বা অনুপ্ৰেৰণাদায়ক জীৱনীয়েই নহওক

■ *১০ পৃষ্ঠাত*

*এনে এক সন্ধিক্ষণত অসমক অৰ্থনৈতিকভাৱে শক্তিশালী, গতিশীল আৰু স্বয়ংসম্পূৰ্ণ ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ হ'লে ঔদ্যোগীকৰণৰ কোনো বিকল্প নাই। বৃহৎ উদ্যোগে অৰ্থনৈতিক বিকাশত এক বিশেষ মাত্ৰা প্ৰদান কৰিলেও, অসমৰ ভৌগোলিক অৱস্থিতি, প্ৰাকৃতিক সম্পদৰ প্ৰকৃতি, সামাজিক গাঁথনি আৰু ঔদ্যোগিক পৰিৱেশলৈ লক্ষ্য কৰিলে ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহেই অধিক বাস্তৱসন্মত আৰু ফলপ্ৰসূ মাধ্যম হিচাপে বিবেচিত হয়। থলুৱা সম্পদৰ সঠিক ব্যৱহাৰ, স্থানীয় পৰ্যায়ত সংস্থাপনৰ সৃষ্টি, উদ্যোগী মানসিকতাৰ বিকাশ আৰু গ্ৰাম্য অৰ্থনীতিৰ সবলীকৰণৰ জৰিয়তে ক্ষুদ্ৰ উদ্যোগসমূহে আত্মনিৰ্ভৰ অসম গঢ়াৰ ক্ষেত্ৰত এক নীৰৱ অথচ সুদূৰপ্ৰসাৰী বিপ্লৱৰ সূচনা কৰিব পাৰে।*

# আত্মনিৰ্ভৰ অসম গঢ়াত ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা

**নলিনী ৰঞ্জন ভূঞা**

বৰ্তমানৰ দ্ৰুত পৰিৱৰ্তনশীল বিশ্ব অৰ্থনীতিত 'আত্মনিৰ্ভৰশীলতা' কেৱল এটা শ্ল'গান বা তাত্ত্বিক ধাৰণা হৈ থকা নাই, ই হৈ পৰিছে উন্নয়ন আৰু স্বাভিমানী যাত্ৰাৰ এক অনিবাৰ্য লক্ষ্য। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এক মুখ্য অংগ ৰাজ্য হিচাপে অসমৰ বাবেও এই আত্মনিৰ্ভৰশীলতাৰ প্ৰাসংগিকতা পূৰ্বতকৈ বহু বেছি বৃদ্ধি পাইছে। দীৰ্ঘদিন ধৰি অসমৰ অৰ্থনীতি মূলতঃ পৰম্পৰাগত কৃষি আৰু কেইটামান নিৰ্দিষ্ট প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰ কৰি চলি আহিছে; কিন্তু বৰ্ধিত জনসংখ্যা, গোলকীয় বজাৰৰ ক্ষিপ্ৰ পৰিৱৰ্তন আৰু সমসাময়িক অৰ্থনৈতিক প্ৰত্যাহ্বানৰ পৰিপ্ৰেক্ষিতত কেৱল পুৰণি ব্যৱস্থাটোৰ ওপৰত নিৰ্ভৰ কৰি ৰাজ্যখনৰ সৰ্বাংগীণ আৰ্থিক প্ৰয়োজন পূৰণ কৰাটো সম্ভৱ নহয়।

এনে এক সন্ধিক্ষণত অসমক অৰ্থনৈতিকভাৱে শক্তিশালী, গতিশীল আৰু স্বয়ংসম্পূৰ্ণ ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ হ'লে ঔদ্যোগীকৰণৰ কোনো বিকল্প নাই। বৃহৎ উদ্যোগে অৰ্থনৈতিক বিকাশত এক বিশেষ মাত্ৰা প্ৰদান কৰিলেও, অসমৰ ভৌগোলিক অৱস্থিতি, প্ৰাকৃতিক সম্পদৰ প্ৰকৃতি, সামাজিক গাঁথনি আৰু ঔদ্যোগিক পৰিৱেশলৈ লক্ষ্য কৰিলে ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহেই অধিক বাস্তৱসন্মত আৰু ফলপ্ৰসূ মাধ্যম হিচাপে বিবেচিত হয়। থলুৱা সম্পদৰ সঠিক ব্যৱহাৰ, স্থানীয় পৰ্যায়ত সংস্থাপনৰ সৃষ্টি, উদ্যোগী মানসিকতাৰ বিকাশ আৰু গ্ৰাম্য অৰ্থনীতিৰ সবলীকৰণৰ জৰিয়তে ক্ষুদ্ৰ উদ্যোগসমূহে আত্মনিৰ্ভৰ অসম গঢ়াৰ ক্ষেত্ৰত এক নীৰৱ অথচ সুদূৰপ্ৰসাৰী বিপ্লৱৰ সূচনা কৰিব পাৰে।

অৰ্থনৈতিক পৰিভাষাত- তুলনামূলকভাৱে কম মূলধন বিনিয়োগ কৰি, কমসংখ্যক শ্ৰমিকৰ প্ৰচেষ্টাৰে আৰু স্থানীয়ভাৱে উপলব্ধ কেঁচামালৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা উৎপাদন গোটসমূহকেই সাধাৰণ অৰ্থত ক্ষুদ্ৰ উদ্যোগ বুলি কোৱা হয়। চৰকাৰী নীতি আৰু বিনিয়োগৰ পৰিমাণ সাপেক্ষে ইয়াক অতি ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ হিচাপে শ্ৰেণী বিভাজন কৰা হৈছে। অসমৰ দৰে এখন ৰাজ্যত, য'ত বৃহৎ উদ্যোগ স্থাপনৰ বাবে প্ৰয়োজনীয় বিশাল ভূমিৰ অধিগ্ৰহণ, গধুৰ মূলধনৰ সহজলভ্যতা আৰু উচ্চস্তৰৰ আন্তঃগাঁথনিৰ কিছু প্ৰত্যাহ্বান প্ৰায়েই দেখা যায়, তাত এই ক্ষুদ্ৰ উদ্যোগসমূহেই হৈ পৰিব পাৰে সমগ্ৰ অৰ্থনীতিৰ প্ৰাণস্পন্দন।

এই উদ্যোগসমূহৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্যটো হ'ল ইয়াৰ উচ্চ নমনীয়তা আৰু স্থানীয়কৰণৰ ক্ষমতা। অতি কম পৰিসৰৰ ঠাইতে আৰু সীমিত পুঁজিৰে একোটা ক্ষুদ্ৰ উদ্যোগ সফলতাৰে আৰম্ভ কৰিব পৰা যায়। অসমৰ চহৰীয়া অঞ্চলৰ পৰা আৰম্ভ কৰি একেবাৰে পিছপৰা ভিতৰুৱা গাঁৱলৈকে ইয়াৰ বিস্তাৰ সহজসাধ্য। হস্তভাঁত আৰু বস্ত্ৰশিল্প, খাদ্য সংসাধন, বাঁহ-বেতৰ



শিল্প, ঐতিহ্যমণ্ডিত কাঁহ-পিতলৰ উদ্যোগ, জৈৱিক সাৰ উৎপাদন আৰু মৌ-পালন —এইসমূহ অসমৰ অৰ্থনীতিলৈ বৰঙণি যোগাই অহা কিছুমান প্ৰধান ক্ষুদ্ৰ উদ্যোগ। এই উদ্যোগসমূহে ৰাজ্যখনৰ আভ্যন্তৰীণ দৈনিক প্ৰয়োজনীয়তা পূৰণ কৰাই নহয়, বৰং ৰাজ্যৰ সীমা অতিক্ৰমি বহিঃৰাজ্য তথা বিদেশলৈও সামগ্ৰী ৰপ্তানি কৰি অসমৰ ৰাজহৰ ভঁৰাল আৰু জনমুৰি আয়লৈ এক নতুন আশাব্যঞ্জক গতি প্ৰদান কৰিবলৈ সক্ষম হৈছে।

অসমে প্ৰকৃতিৰ পৰা লাভ কৰিছে বিচিত্ৰ প্ৰাকৃতিক সম্পদ। আমাৰ ৰাজ্যখনত প্ৰাকৃতিক গেছ, খাৰুৱা তেল, খনিজ সম্পদৰ উপৰি প্ৰচুৰ বনজ আৰু কৃষিভিত্তিক সামগ্ৰীৰ কোনো নাটনি নাই। কিন্তু এক ঐতিহাসিক সত্য এই যে দীৰ্ঘদিন ধৰি আমি এই সম্পদসমূহৰ সঠিক মূল্যাংকন আৰু বাণিজ্যিক ব্যৱহাৰ কৰাত পিছপৰি আছো। পূৰ্বতে আমাৰ উৎপাদিত বহু মূল্যৱান কেঁচামাল অতি কম মূল্যত কেঁচা অৱস্থাতে ৰাজ্যৰ বাহিৰলৈ ওলাই গৈছিল আৰু পৰৱৰ্তী সময়ত সেইবোৰেই উৎপাদিত সামগ্ৰী হৈ দুগুণ বা তিনিগুণ মূল্যত আমাৰ থলুৱা বজাৰলৈকে ঘূৰি আহিছিল। ইয়াৰ ফলত ৰাজ্যখনে এক ডাঙৰ অৰ্থনৈতিক সুযোগ হেৰুৱাব লগা হৈছিল। ক্ষুদ্ৰ উদ্যোগে এই ত্ৰুটিপূৰ্ণ ব্যৱস্থাটোক সম্পূৰ্ণৰূপে সলনি কৰাৰ এক সোণালী সুযোগ আনি দিছে।

উদাহৰণস্বৰূপে, অসমৰ বাঁহ আৰু বেত সম্পদৰ আন্তঃৰাষ্ট্ৰীয় সম্ভাৱনা অপৰিসীম।

পৰম্পৰাগতভাৱে আমাৰ ৰাজ্যত কেৱল জাপি, খৰাহি, চালনী বা সৰু-সুৰা গৃহস্থালি সামগ্ৰী তৈয়াৰ কৰাতে সীমাবদ্ধ আছিল। কিন্তু আধুনিক প্ৰযুক্তি, নব্য ডিজাইন আৰু ক্ষুদ্ৰ উদ্যোগৰ সংমিশ্ৰণৰ জৰিয়তে বৰ্তমান বাঁহৰ পৰা পৰিৱেশ-অনুকূল আধুনিক আচবাব, কাগজ, খেলনা আৰু প্লাষ্টিকৰ বিকল্প সামগ্ৰী প্ৰস্তুত কৰা সম্ভৱ হৈছে। ঠিক একেদৰে, অসমৰ চাহ উদ্যোগৰ প্ৰেক্ষাপটতো এক ডাঙৰ পৰিৱৰ্তন আহিছে। বৰ্তমান সময়ত ক্ষুদ্ৰ চাহ খেতিয়ক আৰু স্বতন্ত্ৰ চাহ সংসাধন গোটসমূহে চাহৰ গুণগত মান উন্নত কৰি স্পেচিয়েলিটি চাহ, গ্ৰীন টি বা জৈৱিক চাহ উৎপাদন কৰি বিশ্বৰ বজাৰত অসমৰ নাম পুনৰ জিলিকাই তুলিছে। কাৰ্বি আংলঙৰ আদা, জহা চাউল, কাজী নেমু, ভূত জলকীয়া আৰু বিভিন্ন ঋতুগত ফল-মূলৰ পৰা খাদ্য সংসাধন উদ্যোগৰ জৰিয়তে জাম, জেলী, আচাৰ, স্কোৱাচ আদি প্ৰস্তুত কৰি বিপণন কৰাৰ প্ৰক্ৰিয়াই প্ৰকৃত মূল্য সংযোজন নিশ্চিত কৰে। ইয়াৰ দ্বাৰা কৃষকসকলৰ উৎপাদিত সামগ্ৰীয়ে উচিত মূল্য লাভ কৰে, মধ্যভোগীৰ দৌৰাত্ম্য হ্ৰাস পায় আৰু থলুৱা সম্পদৰ সৰ্বোত্তম ব্যৱহাৰো নিশ্চিত হয়।

অসমৰ আটাইতকৈ স্পৰ্শকাতৰ আৰু প্ৰধান সামাজিক-অৰ্থনৈতিক সমস্যাটোৰে হৈছে নিবনুৱা সমস্যা। প্ৰতি বছৰে ৰাজ্যখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা হাজাৰ হাজাৰ শিক্ষিত, অৰ্ধশিক্ষিত আৰু কাৰিকৰীভাৱে দক্ষ যুৱক-যুৱতী কৰ্মসংস্থাপনৰ সন্ধানত ওলাই আহে। কিন্তু চৰকাৰী চাকৰিৰ পৰিসৰ অত্যন্ত সীমিত হোৱাৰ বাবে সকলোৰে বাবে চৰকাৰী খণ্ডত সংস্থাপন লাভ কৰাটো সম্ভৱ নহয়। এনে এক জটিল সন্ধিক্ষণত ক্ষুদ্ৰ উদ্যোগসমূহে সমাজৰ বাবে ত্ৰাণকৰ্তাৰ ভূমিকা ল'ব পাৰে।

বৃহৎ উদ্যোগসমূহ সাধাৰণতে অতিমাত্ৰা স্বয়ংক্ৰিয় যন্ত্ৰপাতিৰ ওপৰত নিৰ্ভৰশীল বাবে তাত মানৱ শ্ৰমৰ প্ৰয়োজন দিনক দিনে হ্ৰাস পাই আহিছে। কিন্তু তাৰ বিপৰীতে ক্ষুদ্ৰ উদ্যোগসমূহ ঘাইকৈ মানৱ শ্ৰমপ্ৰধান। অৰ্থাৎ, ইয়াত তুলনামূলকভাৱে বহু বেছিসংখ্যক লোকক পোনপটীয়া আৰু পৰোক্ষভাৱে কৰ্মসংস্থাপন দিব পৰা যায়।




■ নৰম পৃষ্ঠাত

# নায়ক

**জ্যোতিমণি মাহন্ত**

কোনো কিতাপৰ পাতত নহয়
তেওঁ জিলিকি উঠে বাস্তৱৰ ৰণত,
নিজৰ সংগ্ৰামেৰে জিকি দেখুৱায়
প্ৰতিজন হতাশ হৈ পৰা ব্যক্তিৰ হৃদয়ত।
সংগ্ৰামৰ ধুমুহাত যি থিয় দিয়ে
অন্যৰ চকুপানী মচিবলৈ,
তেৱেঁইতো প্ৰকৃত নায়ক এই ধৰাত
যি নিজে কান্দিও আনক হাঁহিবলৈ শিকাই।
পলকতে উৰে তেওঁ মেঘৰ সিপাৰে
বিপদৰ সময়ত ৰক্ষা কৰে সকলোকে,
কল্পনাৰ পৃথিৱীৰ তেওঁৱেঁইতো ৰজা
যাক ভাল পায় কোটি কোটি প্ৰজা।
পৃথিৱীৰ বুকুত যেতিয়াই আন্ধাৰ হয়
কাঢ়ি লয় তেওঁ সকলো দুখৰ ভাৰ,
সপোনে সপোনে উৰে এক অবিনাশী নাম
সেই অমৰ নায়কক জনাওঁ শত কোটি প্ৰণাম।



# পপীয়া তৰা

**ৰূপালী গগৈ চুতীয়া**

এদিন চাবলৈ মন আছে
নিশা তোমাৰ চোতালত ওলাই কি?
আকাশৰ তৰা জোন
নে আৰু বহুত কিবা কিবি?


তুমি ভাল পোৱা জোনাকত
ময়ো আছো নেকি?
নিশা তৰাৰ লগত
মোকো বিচাৰি পোৱা নেকি?

তোমাৰ জোনাক ভৰা পৃথিৱীত
ময়ো ওলাওঁ যদি
সেই নিশা তুমি উজাগৰে
কটাব পাৰিবানে?

তুমি ৰোমান্টিক কবিতা
ভাল পোৱা নে আৱেগিক?
মই পিছে ৰোমান্টিক।

আশা আছে এদিন যাম
তোমাৰ প্ৰেমত চোতালত
নীলা আকাশৰ তলত
একেলগে বহি
পপীয়া তৰা চাম
পপীয়া তৰা চাম।







# সেউজীয়াৰ গান

**টোলন তাছা**

দুটি ওঁঠত তোমাৰ সেউজীয়াৰ গান
বুকুৰ উমেৰে জীপাল কৰিছা বাগিচাৰ প্ৰাণ
ৰ'দালীৰ চোকা হাঁহিত বৰণ সলায় ছালে
বাগিচাৰ মাটিক সাৰুৱা কৰে
তোমাৰেই ক'লা কপালৰ ঘামে।

চাহ গছৰ ডালে পাতে শিপাতে
কিমান যে করুণ গাথা লিখা আছে,
পুৱাটিয়ে সাৰ পোৱাৰ পৰা গধূলিলৈকে,
কটা-ছিঙা-ফটা আঙুলিয়েই নাচে
অসমী আইৰ বুকুত ইমূৰৰ পৰা সিমূৰলে।

মাদলৰ চেঁৱত উথলি উঠে আনন্দৰ জোৱাৰ
ঝুমইৰৰ তালত মতলীয়া হৈ পাহৰা এবুকু হাহাকাৰ
সেয়ে ফাগুনে কিৰিলি মাৰে উৰুখা পঁজাত,
বিষাদৰ ক'লা মেঘে আলফুলে ওমলি থাকে
তোমাৰেই উৱলিব ধৰা সপোনৰ বোকোচাত।

হে' মোৰ চাহ বাগিচাৰ শ্ৰমিক
হে' আই অসমীৰ নিৰ্বোধ খনিকৰ,
তোমাৰ খহটা হাতৰ পৰশতে
বাগিচাৰ সেউজীয়াবোৰে প্ৰাণ পাই উঠে
গৌৰৱেৰে ফুলি উঠে বুকু সোণৰ অসমৰ।

নিঃকিন হৈও তুমি যিদৰে
শুৱনি কৰিছা বিশ্বৰ বিলাসী মেজ,
কোনে বাৰু ভাবিব পাৰে
চাহপাতৰ কাপত যে নিগৰে
তোমাৰ ক'লা দেহৰে ঘাম আৰু তেজ।

হে বৰ অসমৰ নিৰৱ ভাস্কৰ
তোমাক জনাওঁ শত কোটি প্ৰণিপাত,
দশোদিশে গুড়িৰত হওঁক তোমাৰেই জয়গান
চিৰদিনেই জিলিকি থাকক বিশ্বত
সেউজীয়া চাহ বাগিচাৰ এটি কলি দুটি পাত।

# বেয়া সপোন

**ৰফিক উদ্দিন**

বেয়া সপোন দেখে
গৰু-গাহৰিৰ যুঁজ,
ম'হটোৰ শিঙলৈ ভয়
কেতিয়াবা উটৰ কুঁজ!

নেদেখে ঘোঁৰা-গাধৰ
সেই অদ্ভুত কাৰবাৰ;
কেতিয়াবা অশ্বশালাত
হৈ-চৈ দানাৰ নিমিত্তে,

মাজে-সময়ে দুই-এটা
কাৰাগাৰৰ আলহী।
ৰজাৰো হয় অতিথি
জনায় উষ্ম আদৰণি।

# সন্ধ্যা

**বনজিত দাস**

এধানি এধানিকৈ নামি অহা
সন্ধ্যাৰ লাজুক খোজত
বুকুত ডুবিল পোহৰৰ ছাঁ
জোনাকী পৰুৱাৰ ঢৌ তুলি
বিষাদৰ চাকনৈয়া।

মৌনতাই গান গোৱা
জীৱনৰ গীতত
হেজাৰ আশাৰ তৰাৰ তিৰবিৰ।

তাতে সৰে আন্ধাৰৰ বুকুত
এটুকুৰা অনন্ত পোহৰ
নতুন প্ৰভাতৰ প্ৰতিশ্ৰুতি।

কথাটো পতা নহ'ল
সন্ধিয়াৰ পোহৰৰ যুঁজত
এন্ধাৰ আৰু মৃত্যুৰ
সময়ৰ নীৰৱ বাৰ্তালাপ।

য'ত শব্দ হেৰাই
মাথো প্ৰতিধ্বনিত হয়
অস্তিত্বৰ গোপন অৰ্থ।





# মৰা সুঁতি

**কিশোৰ কুমাৰ কলিতা**

ৰৈ থকাৰো একোটা অজুহাত থাকে
হাঁহিবোৰেই সামৰে পোৱা নোপোৱাৰ হিচাপ
জীৱনে জীৱনক নকৈ জুকিয়াই চাই,
নাথাকে মাথোঁ উভতি যোৱাৰ বাট।

আবেলিটোৰ সতে অলপ উজাই গ'লেই
বিচাৰি পাই চাগে নৈখনৰ সিপাৰৰ সেই বাট
যি বাটত খোজ থয় অস্তাচলৰ বেলিটোৱে

সপোনৰ ভাজবোৰো এতিয়া যে বুঢ়া হ'ল
আবেলিটোৱে সংগোপনে বুকুতে শিপাই
তথাপি দেহত ৰূপোৱালী আবিৰ সানি
ঘৰৰ মানুহ ঘৰলৈ বাট পোনাই

আবেলিটোৰ সতে এতিয়া যে নিবিড় সম্পৰ্ক
অস্ত আকাশৰ হেঙুলীয়াই সাৱটে দেহ-মন
ক্ৰমশঃ দিঘলীয়া হয় হুমুনিয়াহবোৰ
হেৰাই যোৱাৰ বাটত নামি আহে আন্ধাৰ

সময় নামৰ নৈখনেও এদিন এৰি থৈ যায়
বাট হেৰুৱাই জীৱন নামৰ মৰা সুঁতিটোৱে
তথাপিও, তথাপিও দেখোন বাৰিষা নামে বুকুত
উন্মাদনা বিচাৰে জীৱন যৌৱনৰ...

ৰৈ থকাৰ অলেখ অজুহাত থাকিলেও
উভতি যোৱাৰ যে নাথাকে আপোন বাট
সাইলাখ মৰা সুঁতিটোৰ দৰেই...!

# ভাস্কৰ্য আৰু স্থাপত্যৰ নিৰ্মাণ থলীৰ পৃষ্ঠভূমি

লীলাধৰ হাজৰিকা

**প্ৰাচীন সভ্যতা সংস্কৃতিৰ শিল্প সুলভ নিদৰ্শন পোৱা যায় চিত্ৰ, স্থাপত্য আৰু ভাস্কৰ্য শৈলীত। আদিম মানুহে বস্তুগত অভিজ্ঞতা, অনুভৱ বেগ, সুখ দুখ সংগ্ৰাম আদিৰ কথা শিল্পৰ মাজেদি প্ৰকাশ কৰিছিল। ভাস্কৰ্য কলাৰ ধাৰাবাহিকতা লক্ষ্য কৰিলে দেখা যায়। প্ৰতিটো যুগতে জীৱনৰ বাস্তৱায়িত ৰূপ চিন্তা চেতনা আৰু কৌশলগত ৰীতি, অনুসৰণ কৰি চলে। চিত্ৰ কলাৰ অন্যান্য চৰ্চাৰ দৰে ই এটা যুগত ভাস্কৰ্য কলাইও সেই যুগৰ সামাজিক আৰু সাংস্কৃতিক বিকাশৰ ধাৰাটো অব্যাহত ৰাখিবলৈ অহৰহ চেষ্টা কৰে। ভাস্কৰ্য কলাই সেই যুগৰ প্ৰযুক্তি আৰু কাৰিকৰী কৌশলৰ দিশটো উজলাই তোলে, বিশেষ কৈ শিল্পীৰ কল্পনা আৰু মননশীলতাৰ ক্ষেত্ৰত এক নিদৰ্শনৰ কথা সৰ্বসাধাৰণক জ্ঞাত কৰে। সেই বাবে ভাস্কৰ্য কলাই ইতিহাস আৰু সভ্যতা প্ৰসাৰত বিশেষ স্থান অধিকাৰ কৰি আহিছে। আদিম কালৰ গুহা চিত্ৰ পৰৱৰ্তী কালত ভাস্কৰ্য স্থাপত্য আৰু কাৰু শিল্পলৈ উন্নীত হৈছে।**

ভাস্কৰ্য অথবা স্থাপত্য নিৰ্মাণ থলীৰ পৃষ্ঠভূমি যি কোনো স্থানতেই উৎপত্তি হ'ব পাৰে। কোনো বিখ্যাৎ মন্দিৰ অথবা স্থান নহ'বও পাৰে।

প্ৰাচীন সভ্যতা সংস্কৃতিৰ শিল্প সুলভ নিদৰ্শন পোৱা যায় চিত্ৰ, স্থাপত্য আৰু ভাস্কৰ্য শৈলীত। আদিম মানুহে বস্তুগত অভিজ্ঞতা, অনুভৱ বেগ, সুখ দুখ সংগ্ৰাম আদিৰ কথা শিল্পৰ মাজেদি প্ৰকাশ কৰিছিল। ভাস্কৰ্য কলাৰ ধাৰাবাহিকতা লক্ষ্য কৰিলে দেখা যায়। প্ৰতিটো যুগতে জীৱনৰ বাস্তৱায়িত ৰূপ চিন্তা চেতনা আৰু কৌশলগত ৰীতি, অনুসৰণ কৰি চলে। চিত্ৰ কলাৰ অন্যান্য চৰ্চাৰ দৰে ই এটা যুগত ভাস্কৰ্য কলাইও সেই যুগৰ সামাজিক আৰু সাংস্কৃতিক বিকাশৰ ধাৰাটো অব্যাহত ৰাখিবলৈ অহৰহ চেষ্টা কৰে। ভাস্কৰ্য কলাই সেই যুগৰ প্ৰযুক্তি আৰু কাৰিকৰী কৌশলৰ দিশটো উজলাই তোলে, বিশেষ কৈ শিল্পীৰ কল্পনা আৰু মননশীলতাৰ ক্ষেত্ৰত এক নিদৰ্শনৰ কথা সৰ্বসাধাৰণক জ্ঞাত কৰে। সেই বাবে ভাস্কৰ্য কলাই ইতিহাস আৰু সভ্যতা প্ৰসাৰত বিশেষ স্থান অধিকাৰ কৰি আহিছে। আদিম কালৰ গুহা চিত্ৰ পৰৱৰ্তী কালত ভাস্কৰ্য স্থাপত্য আৰু কাৰু শিল্পলৈ উন্নীত হৈছে।

ভাস্কৰ্যক মাধ্যম হিচাপে বিচাৰ কৰিলে ইয়াৰ ত্ৰি মাত্ৰিক দিশৰ কথা মনলৈ আহে। ভাস্কৰ্য অতি শ্ৰম সাধ্য সৃষ্টি কৰ্ম। ভাস্কৰ্যই দৰ্শকৰ মনত বস্তু সদৃশ প্ৰতি ক্ৰিয়াৰ সৃষ্টি কৰে। ভাস্কৰ্য ই দৰ্শকক দিয়ে এটা এটা আনন্দ তথা impact... ভাস্কৰ্য দৃশ্যত চিত্ৰ হৈ পৰে অপেক্ষা তথা গতিশীল হিচাপে। ইয়াৰ স্থায়িত্ব সৰ্ব গ্ৰাহী। চিত্ৰ ই কেৱল আকৰ্ষণ হে কৰিব পাৰে, স্থাপত্যৰ আকৰ্ষণ শিল্প গুণ সম্পন্ন। ভাস্কৰ্যৰ লগত স্থাপত্যৰ আছে এক অনন্য সম্পৰ্ক। স্থাপত্যই বস্তুৰ গঠন আৰু ইয়াৰ গঢ় বস্তু সদৃশ আৰু প্ৰাণৱন্ত ৰূপী চিত্ৰৰ সমাহাৰকে বুজায়।

ভাস্কৰ্যৰ দৰে স্থাপত্য কলা সভ্যতা আৰু সমাজৰ এক বিশেষ অংগ। পৃথিৱীৰ শিল্প পৰম্পৰাগত স্থাপত্যৰ এক বিশেষ ভূমিকা আছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতিৰ বাবে অন্য শিল্পৰ ক্ষেত্ৰত সমকালীন যি পৰীক্ষা-নিৰীক্ষাৰ চৰ্চা অব্যাহত আছে স্থাপত্যৰ ক্ষেত্ৰত ই অধিক তীব্ৰতৰ হোৱা দেখিবলৈ পোৱা গৈছে। পূৰ্বতে মানুহে খাদ্য আৰু সংস্থানৰ তাগিদাত চিকাৰী জীৱন পালন কৰি গুহাবাসী আছিল। যদিও তেওঁ লোকেও নিজ বাসস্থানটোক সুন্দৰভাৱেই সজাই-পৰাই তোলাত গুৰুত্ব দিছিল। ইতিহাস অধ্যয়ন কৰি চালে দেখা যায় দীৰ্ঘদিন ধৰি স্থাপত্য কলা বুলি কোনো বিশেষ বিষয় এটাৰ চৰ্চা হোৱা নাছিল। সামগ্ৰিক শিল্প কলা চৰ্চাই এই বিষয়টো সামৰি আছিল। চিত্ৰকৰজনেই ভাস্কৰ আৰু ভাস্কৰবিদজনেই স্থাপত্য বিদো আছিল। মিৰি মেছ'পটেমিয়া ইৰাণ, গ্ৰীক ৰোমান, গথিক ৰেনেচা নব্য ৰোমান্তিক পৰ্বলৈকে এই শিল্পীৰ মহান কীৰ্তি চৰ্চিত হৈ আছিল। ভাৰততো ইয়াৰ এক ঐতিহ্য দেখা গৈছিল। হৰপ্পা মহেঞ্জোদাৰোৰ পৰা মোগল যুগলৈকে বহু হাজাৰ বছৰৰ পৰম্পৰা এই শিল্পীসকলে বহন কৰি আনিছে। স্থাপত্য কলাৰ ক্ষেত্ৰত সৌন্দৰ্যবোধ আৰু ইয়াৰ ব্যৱহাৰিক দিশ অথবা প্ৰয়োগ উল্লেখনীয় কথা। স্থাপত্য কলাৰ আটাইতকৈ প্ৰয়োজনীয় কথাটো হ'ল, form follows function. প্ৰয়োজনৰ উপযোগী কৰি তুলি ইয়াৰ মাজত দাৰ্শনিক ৰুচিবোধ জন্মোৱাটো। স্থাপত্য কলাৰ পৰকৃত্ সাফল্য হৈছে পৰিকল্পনাৰ দ্বাৰা প্ৰতিবেশী সৃষ্টি কৰি ইয়াৰ সৌন্দৰ্য বৰ্দ্ধনকাৰী কৰি গঢ়ি তোলা। ইয়াৰ গঠন কাৰ্যত এক সমন্বয়ৰ প্ৰক্ৰিয়া অব্যাহত থাকে।

আৰ্ট সমূহৰ ভিতৰত ভাস্কৰ্য শিল্প ই হৈছে সমাজৰ সৌন্দৰ্যবোধৰ ওপৰত বেছি নিৰ্ভৰশীল। কবিয়ে ব্যক্তিগত ভাৱ তৰংগত উটি-বুৰি ফুৰিব পাৰে। চিত্ৰকৰে নিৰলত সপোন ৰচি সম্পূৰ্ণতা লভিব পাৰে। ভাস্কৰ্য শিল্পীয়েহে কেৱল সমূহীয়া প্ৰচেষ্টা আৰু সামাজিক ভাৱধাৰাৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰিবলগীয়া হয়। বহুতৰ সংযোগতে ভাস্কৰ্য কলা গঢ়ি উঠা সম্ভৱ।

ভাৰতীয় সংস্কৃতিত মহেঞ্জোদাৰো আৰু হৰাপ্পাৰ সংস্কৃতিয়ে এটা আৰ্য পূৰ্ব যুগৰ কথা কয়। ভাৰতীয় সংস্কৃতিত অনাৰ্য আৰু আৰ্যৰ মিলননেহে কৃষ্টিৰ পথাৰখন চহকী কৰি তুলিছে। প্ৰকৃত পক্ষে বৌদ্ধ ধৰ্ম প্ৰচাৰৰ যুগকি হে ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি। কোনো কোনো পণ্ডিতৰ মতে খ্ৰীষ্টীয়, চাৰমন অন ডি মাউণ্টৰ, গুৰিতো বৌদ্ধ সাহিত্যৰ প্ৰভাৱ বিয়পি আছে। চুফিবাদৰ মূল কোৱাণ শাস্ত্ৰতো এই সম্পৰ্কে উল্লেখ আছে।

ভূটান আৰু তিব্বতৰ বৌদ্ধ ধৰ্মালম্বীসকলে ভগৱান গৌতম বুদ্ধ ই কামৰূপত মহাপৰি নিৰ্বাণ কৰিছিল বুলি বিশ্বাস কৰে। গুৱাহাটীৰ উত্তৰ-পশ্চিমত থকা অসমৰ পাট শিল্পৰ বাবে বিখ্যাত শুৱালকুছিক তিব্বত আৰু ভুটীয়া বৌদ্ধসকলে বুদ্ধদেৱে মহাপৰি নিৰ্বাণ কৰা ঠাই কুশিনাৰা অথবা শালকুশা বুলি বিশ্বাস কৰে। তিব্বতৰ দাৰ্জিলিং-ভূটান আদিৰ লামাসকলে পবিত্ৰ বুদ্ধাগয়াৰ লগতে অসমৰ বৌদ্ধ আৰু অসমক বৌদ্ধ তীৰ্থ বুলি গণ্য কৰে। এই বিশ্বাসক কেন্দ্ৰ কৰি আজিও প্ৰতি বছৰে হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ হাজাৰ হাজাৰ বৌদ্ধ তীৰ্থ যাত্ৰীৰ সোত বৈ আছে। বৌদ্ধ ধৰ্মৰ লোকসকলে তীৰ্থ ভ্ৰমণৰ সময়ত হাজোৰ মন্দিৰৰ শিলৰ গুৰি সংগ্ৰহ কৰি লৈ যায় আৰু পবিত্ৰ বস্তু বুলি জ্ঞান কৰে। বিপদৰ সময়ত ৰক্ষা কবচ হিচাপে ব্যৱহাৰ কৰে। হাজোৰ বৌদ্ধ ক্ষেত্ৰত কেইবাজনো তান্ত্ৰিক সিদ্ধই সিদ্ধি লাভ কৰাৰ কথা ইতিহাস প্ৰসিদ্ধ।

হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত বৰ্তমান হিন্দু ধৰ্মৰ নীতি-নিয়মেৰে হে পূজা-অৰ্চনা কৰা হয়। সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত প্ৰচলিত অতীতৰ বৌদ্ধ ধৰ্মৰ প্ৰাদুৰ্ভাৱ যে হাজোত পৰিছিল সেই কথাৰ ভালেমান প্ৰমাণ পোৱা যায়। বৰ্তমান হাজোৰ মন্দিৰ প্ৰাংগণত থকা ভগ্ন প্ৰায় তিনিকোনীয়া সিংহ মূৰ্তিটো আৰু মূল মন্দিৰৰ তলৰ অংশত খোদিত শিল্প ভাস্কৰৰ পৰা এটা কথা অনুমান কৰিব পাৰি যে এসময়ত এই মন্দিৰ বৌদ্ধ মন্দিৰ আছিল। খ্ৰীষ্টিয় সপ্তম শতিকাত ভাৰতলৈ অহা চীনা পৰিব্ৰাজক হিউয়েন চাংৰ টোকাত পোৱা যায় যে সেই সময়ত কামৰূপত এটা মাথো বৌদ্ধ বিহাৰ দেখিছিল। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰেই সেই বৌদ্ধ বিহাৰ আছিল বুলি অনুমান কৰিব পাৰি। ৰায়বাহাদুৰ কণকলাল বৰুৱা ৰচনাৱলীত হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰক কেন্দ্ৰ কৰি ভূটীয়াসকলে ধৰ্ম কিছুমান আচৰিত কাম কৰিছিল। তেওঁলোকে নিজৰ হাতৰ আঙুলিত কাপোৰ এখনত জুই জ্বলাই সেই জুইৰ পোহৰত বৌদ্ধ ধৰ্মৰ পুথি পঢ়িছিল।

হাজোৰ দক্ষিণ-পশ্চিমত থকা শুৱালকুছিৰ বৌদ্ধ মন্দিৰৰ উপৰি শুৱালকুছিৰ পশ্চিম থকা বামুন্দীৰ ধাৰেশ্বৰ দেৱালয়ৰ স্থাপত্য আৰু ভাস্কৰ্য সম্পৰ্কে এই লেখাটোত উল্লেখ কৰিবলৈ চেষ্টা কৰিম।

অসম সাহিত্য সভাৰ ষট, চত্বাৰিংশ অধিৱেশনত (শুৱালকুছি, ১৯৭৯ চন, জ্যোতি ক্ষেত্ৰ) প্ৰকাশিত, শুৱালকুছি জ্যোতি, স্মৃতিগ্ৰন্থত (সম্পাদকদ্বয় ৰমেশ চন্দ্ৰ কলিতা আৰু বাসুদেৱ ভৰালী) শ্ৰীমান চক্ৰৱৰ্তীয়ে শুৱালকুছি-বামুন্দী অঞ্চলৰ আশে-পাশে, প্ৰবন্ধয় আলোচনা কৰিছে।

হাজোত বিভিন্ন মঠ-মন্দিৰ আৰু অন্যান্য সম্পদসমূহত ভাস্কৰ্য আৰু স্থাপত্যৰ নিদৰ্শন পোৱা যায়। হাজোক পঞ্চ তীৰ্থ বোলা হয়। ইয়াৰ উপৰি হাজোত থকা হিন্দু মুছলমান আৰু বৌদ্ধ তিনিওটা ধৰ্মৰে স্থাপত্য আৰু ভাস্কৰ্যই সংস্কৃতিৰ ইতিহাসত এখন বিশেষ স্থান দখল কৰি আছে। বিশেষ কৈ ইয়াৰ হয়গ্ৰীৱ মাধৱ, কেদাৰেশ্বৰ, গণেশ মন্দিৰ, মাধৱ মন্দিৰত থকা অশোক স্তম্ভৰ অংশ, মদনাচল পাহাৰত থকা শিলৰ বৃষভ, মুছলমানসকলৰ পবিত্ৰ তীৰ্থ পোৱা মক্কা, কপিল মুনিৰ আশ্ৰম, চৈতন্য দেৱৰ গুহা, বৌদ্ধসকলৰ শাল বৃক্ষ, মহাপুৰুষ মাধৱদেৱে স্থাপন কৰা ধোপগুৰি সত্ৰ, শিলৰ চৰিয়া, নেতাই ধুবুনী ঘাট, সৰগৰ দুৱাৰ, শ্ৰীদুৰ্গা মন্দিৰ, গোধাই বৰশী বোৱা শিল, সাপ যোৱা এটা বাট, পাখামেলা গোসাঁই থানৰ পক্ষীৰাজ গৰুড়, দুমুখীয়া গোসাঁই থান, বৰাহ গোসাঁইৰ থান, বিষ্ণু পুষ্কৰ, অপূৰ্নভ কুণ্ড, বাৰানসীয়ক কুণ্ড, মাৰ্কণ্ডেয় হ্ৰদ, ব্ৰহ্ম সৰোবৰ, সৌভাগ্য কুণ্ড, গোকৰ্ণ, বিকৰণ আদিত অসমৰ ভাস্কৰ্য আৰু স্থাপত্যৰ অলেখ নিদৰ্শন পোৱা যায়।

বামুন্দীৰ ওচৰে-পাজৰে থকা বিভিন্ন স্থানত প্ৰাচীন ভাস্কৰ্য আৰু স্থাপত্যৰ ভালেমান নিদৰ্শন পোৱা গৈছে। উদাহৰণস্বৰূপে বামুণীৰ পূব প্ৰান্তত অৱস্থিত অসমৰ মানচেষ্টাৰ খ্যাত শুৱালকুছিৰ সিদ্ধেশ্বৰীৰ টিলাত অৱস্থিত সিদ্ধেশ্বৰী মন্দিৰৰ কীৰ্তিচিহ্নই প্ৰাচীন অসমৰ স্থপতিবিদ্যাৰ নিদৰ্শন দাঙি ধৰে। প্ৰাচীন কামৰূপত ৰাজত্ব কৰা বৰ্মনসকলৰ পিছত শালস্তম্ভ বংশ ই ৬৫৫-৯৮৫ চনলৈ ৰাজত্ব কৰিছিল। কীৰ্তিচিহ্ন নিৰ্মাতা হিচাপে এই বংশৰ এটা বিশেষ নাম আছে। এওঁলোকে সজোৱা প্ৰায় সকলো প্ৰাসাদ আদি এতিয়া ধ্বংস স্তুপত পৰিণত হৈছে। এওঁলোকৰ পিছৰ ৰজাজন হ'ল ভৌম পাল (৯৮৫-১১৩০) গৃহাদি নিৰ্মাণত এওঁলোক সিদ্ধহস্ত আছিল। ওপৰত উল্লেখ কৰা সিদ্ধেশ্বৰী মন্দিৰ ভৌম পালৰ দিনতেই নিৰ্মিত। সিদ্ধেশ্বৰী মন্দিৰটো পুৰণি ধৰণৰ ইটাৰে গথা মাজে মাজে শিলা খণ্ডৰ ভাস্কৰ্য দেখা যায়। সময় আৰু প্ৰাকৃতিক দুৰ্যোগে মন্দিৰটো বৰ্তমানেও নষ্ট কৰিব পৰা নাই। কামৰূপত প্ৰাচীন স্থাপত্যৰ নিদৰ্শন এই মন্দিৰটোৱে আটাইতকৈ প্ৰাচীন মন্দিৰ। বামুণী হাজো শুৱালকুছি অঞ্চলত থকা মন্দিৰবোৰৰ ভিতৰতো এইটো পুৰণি মন্দিৰ। এই মন্দিৰটোৰ শিখৰত এটা গম্বুজ আছে। ওপৰত আমলেক নাই, কিন্তু চূড়াটো দ্ৰাবিড় আৰ্হিৰ ক্ষুদ্ৰাকৃতিৰ স্তুপীৰ দৰে। মূল তোৰণত থকা আচল ঠাইৰ পৰা আঁতৰাই অনা মূৰ্তি দুটাৰ এটা ঘূৰণীয়া শিলা খণ্ডত কটা মহিষ মৰ্দিনীৰ আৰু আনটো স্পষ্টভাৱে দক্ষিণ ভাৰতীয় ভাস্কৰ্যৰ আৰ্হিৰ জোঙা মূৰীয়া শিলত কটা সূৰ্য দেৱতাৰ। সূৰ্য পত্নী ছায়া আৰু সংজ্ঞাৰ মূৰৰ খোপা দুটা নিঃসন্দেহে দ্ৰাবিড় আৰ্হিৰ। এই দেৱালয়ৰ ভিতৰৰ আৰু বাহিৰ ভাগত থকা মূৰ্তিসমূহ ভালদৰে নিৰীক্ষণ কৰিলে পূৰ্বতে এই পবিত্ৰ তীৰ্থস্থানখন বিষ্ণু মন্দিৰ আছিল ■ ১০ পৃষ্ঠাত

# শিশুৰ জগতখন আৰু সপোনৰ ৰঙীন পৃথিৱী

ডলী ফুকন

মানুহৰ জীৱনত শৈশৱ হৈছে আটাইতকৈ কোমল, নিৰ্মল আৰু ৰঙীন সময়। এই সময়ত শিশুৰ মনটো একেবাৰে পবিত্ৰ কাগজৰ দৰে থাকে, য'ত জীৱনৰ বিভিন্ন অভিজ্ঞতা, কল্পনা আৰু সপোনে নিজৰ ৰং আঁকি যায়। শিশুৰ জগতখন প্ৰাপ্তবয়স্কসকলৰ জগতৰ পৰা বহুত বেলেগ। এই জগতখনত কষ্ট, চিন্তা আৰু দায়িত্বৰ ঠাই কম, ইয়াৰ পৰিৱৰ্তে থাকে আনন্দ, কৌতূহল, কল্পনা আৰু সপোনেৰে ভৰা এক ৰঙীন পৃথিৱী। এই কাৰণেই শিশুৰ জগতখনক সপোনৰ পৃথিৱী বুলি কোৱা হয়।

শিশুৰ মনত সপোনৰ কোনো সীমা নাথাকে। তেওঁলোকে ডাঙৰ হৈ কেতিয়াবা চিকিৎসক, শিক্ষক, বিজ্ঞানী, পাইলট অথবা শিল্পী হোৱাৰ সপোন দেখে। কেতিয়াবা তেওঁলোকে আকাশত উৰাৰ, নতুন নতুন ঠাই দেখাৰ বা ডাঙৰ ডাঙৰ কাম কৰাৰ কল্পনা কৰে। এই সপোনবোৰেই তেওঁলোকৰ মনত এক বিশেষ উৎসাহ সৃষ্টি কৰে। শিশুৰ এই কল্পনাশক্তি আৰু সপোনেৰে ভৰা মনটো তেওঁলোকৰ ব্যক্তিত্ব গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

শিশুৰ জগতখনত কল্পনা আৰু বাস্তৱতা প্ৰায়ে একেলগে মিলি থাকে। এজন শিশুৱে খেলা বস্তু এটাক নিজৰ বন্ধু বুলি ভাবিব পাৰে বা মাটিৰ ঘৰ এটাক নিজৰ ৰাজপ্ৰাসাদ বুলি কল্পনা কৰিব পাৰে। এইবোৰ সৰু সৰু কল্পনাই তেওঁলোকৰ মনক আনন্দেৰে ভৰাই তোলে। এই কাৰণেই শিশুৰ জগতখন সদায় সজীৱ, উজ্জ্বল আৰু আনন্দময়। তেওঁলোকে সাধাৰণ বস্তুতো অসাধাৰণ আনন্দ বিচাৰি পায়।

শিশুৰ সপোনৰ ৰঙীন পৃথিৱী গঢ়ি তোলাত পৰিয়াল আৰু সমাজৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। মাক-দেউতাক, শিক্ষক আৰু পৰিয়ালৰ আন সদস্যসকলে যদি শিশুৰ সপোনবোৰক উৎসাহ দিয়ে, তেন্তে সেই সপোনবোৰ ধীৰে ধীৰে বাস্তৱতালৈ আগবাঢ়ে। শিশুৰ মনত আত্মবিশ্বাস জন্মায় আৰু তেওঁলোকে নিজৰ লক্ষ্যৰ দিশে আগবাঢ়িবলৈ সাহস পায়। কিন্তু যদি শিশুৰ সপোনবোৰক অৱহেলা কৰা হয়, তেন্তে তেওঁলোকৰ মনত হতাশা জন্ম ল'ব পাৰে। সেয়েহে শিশুৰ কল্পনা আৰু সপোনক সন্মান জনোৱা অতি প্ৰয়োজনীয়।

প্ৰকৃতিও শিশুৰ সপোনৰ পৃথিৱী গঢ়ি তোলাত সহায় কৰে। গছ-গছনি, চৰাই-চিৰিকটি, ফুল আৰু নদীৰ মাজত শিশুৱে এক বিশেষ আনন্দ অনুভৱ কৰে। প্ৰকৃতিৰ মাজত খেলি-ধেমালি কৰি তেওঁলোকে নতুন নতুন চিন্তা আৰু কল্পনাৰ সৃষ্টি কৰে। এই অভিজ্ঞতাবোৰে শিশুৰ মনক অধিক সৃষ্টিশীল আৰু উদাৰ কৰি তোলে।

আধুনিক যুগত প্ৰযুক্তিৰ প্ৰভাৱ শিশুৰ জগতখনতো স্পষ্টকৈ দেখা যায়। ম'বাইল ফোন, টেলিভিছন আৰু ইণ্টাৰনেটৰ ব্যৱহাৰে শিশুসকলৰ মনোৰঞ্জন আৰু শিক্ষাৰ নতুন পথ মুকলি কৰিছে। কিন্তু একে সময়তে এইবোৰে কেতিয়াবা শিশুৰ স্বাভাৱিক কল্পনাশক্তিকো প্ৰভাৱিত কৰিব পাৰে। সেয়েহে শিশুসকলক প্ৰযুক্তিৰ লগতে প্ৰকৃতি, খেল-ধেমালি আৰু সৃজনশীল কাম-কাজৰ লগতো সংযোগ কৰি ৰখাটো অত্যন্ত প্ৰয়োজনীয়।

শিশুৰ জগতখনত আনন্দ, সপোন আৰু কল্পনাৰ কোনো অন্ত নাথাকে। এই সময়ছোৱাত গঢ় লৈ উঠা সপোনবোৰেই তেওঁলোকৰ ভৱিষ্যৎ জীৱনৰ পথ দেখুৱায়। এজন শিশু আজি যি সপোন দেখে, কাইলৈ সেই সপোনেই তেওঁক সফলতাৰ দিশে আগুৱাই নিয়ে। সেয়েহে সমাজৰ প্ৰতিজন মানুহৰ দায়িত্ব হৈছে শিশুৰ এই ৰঙীন সপোনবোৰক সন্মান কৰা আৰু তেওঁলোকৰ মনত আশা আৰু সাহসৰ দীপ জ্বলাই ৰখা। শিশুৰ জগতখন সপোনেৰে সজোৱা এক ৰঙীন পৃথিৱী। এই পৃথিৱীত আনন্দ, কৌতুহল আৰু সৃষ্টিশীলতাৰ এক অপূৰ্ব সমাহাৰ দেখা যায়। যদি আমি শিশুসকলৰ এই সপোনবোৰক যত্নৰে লালন-পালন কৰোঁ, তেন্তে তেওঁলোকেই আগত দিনত এখন সুন্দৰ আৰু উন্নত সমাজ গঢ়ি তুলিবলৈ সক্ষম হ'ব। শিশুৰ জগতখনত সপোনৰ গুৰুত্ব অপৰিসীম। এজন শিশুৱে যেতিয়া নিজৰ মনৰ ভিতৰত সপোন গঢ়ে, তেতিয়া সেই সপোনবোৰে তেওঁৰ চিন্তা, আচৰণ আৰু ভৱিষ্যৎ জীৱনৰ দিশ নিৰ্ধাৰণ কৰিবলৈ আৰম্ভ কৰে। সপোন হৈছে যেন এক উজ্জ্বল পোহৰ, যিয়ে শিশুক আগুৱাই যাবলৈ উৎসাহিত কৰে। এই সপোনবোৰ কেতিয়াবা অতি সৰু হ'ব পাৰে— যেনে নতুন খেলা বস্তু এটা পোৱাৰ আশা বা ভালকৈ পঢ়ি শিক্ষকজনৰ পৰা প্ৰশংসা লাভ কৰাৰ আশা। কিন্তু এই সৰু সৰু সপোনবোৰেই ধীৰে ধীৰে ডাঙৰ লক্ষ্যলৈ পৰিণত হয়।

শিশুসকলে সাধাৰণতে ডাঙৰসকলৰ তুলনাত অধিক কৌতূহলী হয়। তেওঁলোকে সকলো কথাৰ বিষয়ে জানিবলৈ ইচ্ছা কৰে। আকাশ কিয় নীলা, চৰাই কেনেকৈ উৰে, নদী ক'ৰ পৰা আহে— এনে অসংখ্য প্ৰশ্ন তেওঁলোকৰ মনত উত্থাপন হয়। এই কৌতূহলেই তেওঁলোকৰ সপোনৰ পৃথিৱীক অধিক বিস্তৃত কৰি তোলে। শিশুসকলক যদি এই প্ৰশ্নবোৰৰ উত্তৰ ধৈৰ্যসহকাৰে বুজাই দিয়া হয়, তেন্তে তেওঁলোকৰ চিন্তাশক্তি আৰু কল্পনাশক্তি অধিক শক্তিশালী হৈ উঠে।

শিশুৰ জগতখনত গল্প, কাহিনী আৰু সাহিত্যৰো বিশেষ স্থান আছে। ৰূপকথা, উপকথা আৰু বিভিন্ন কাহিনীৰ মাজেৰে শিশুৱে নতুন নতুন জগতৰ স'তে পৰিচিত হয়। এই গল্পবোৰে তেওঁলোকৰ মনত সাহস, সততা, দয়া আৰু মানৱীয় মূল্যবোধৰ বীজ সিঁচি দিয়ে। গল্প শুনি বা পঢ়ি শিশুসকলে নিজৰ মনত নতুন কল্পনা গঢ়ে আৰু সপোনৰ পৃথিৱীখন অধিক ৰঙীন কৰি তোলে।

বিদ্যালয়ো শিশুৰ জগতখন গঢ়ি তোলাত এক গুৰুত্বপূৰ্ণ স্থান। বিদ্যালয়ত শিশুসকলে কেৱল পাঠ্যপুথিৰ জ্ঞানেই নহয়, জীৱনৰ বিভিন্ন মূল্যবোধো শিকে। শিক্ষকসকলৰ স্নেহ, বন্ধুসকলৰ স'তে বন্ধুত্ব আৰু বিদ্যালয়ৰ বিভিন্ন কাৰ্যকলাপ শিশুৰ জীৱনত গভীৰ প্ৰভাৱ পেলায়। বিদ্যালয়ৰ এই অভিজ্ঞতাবোৰে শিশুৰ মনত আত্মবিশ্বাস সৃষ্টি কৰে আৰু তেওঁলোকক ডাঙৰ সপোন দেখিবলৈ উৎসাহিত কৰে।

আনহাতে, শিশুৰ জগতখন সদায় সুৰক্ষিত আৰু আনন্দময় কৰি ৰখাটো সমাজৰ দায়িত্ব। আজিৰ যুগত বহু শিশুৱে বিভিন্ন সামাজিক সমস্যাৰ মাজত ডাঙৰ হৈছে। দৰিদ্ৰতা, শিক্ষা লাভৰ সুযোগৰ অভাৱ বা পৰিয়ালৰ সমস্যাই কেতিয়াবা শিশুৰ সপোনবোৰক আঘাত কৰে। সেয়েহে সমাজৰ প্ৰতিজন সচেতন ব্যক্তিয়ে চেষ্টা কৰিব লাগে যাতে প্ৰতিজন শিশুৱে নিজৰ সপোন পূৰণ কৰাৰ সুযোগ লাভ কৰে।

শিশুৰ মনটো ফুলৰ দৰে কোমল। যদি সেই ফুলটোক যত্নৰে লালন-পালন কৰা হয়, তেন্তে ই সুগন্ধি আৰু সৌন্দৰ্যৰে ভৰি উঠে। একেদৰে শিশুৰ সপোনবোৰকো মৰম, যত্ন আৰু উৎসাহেৰে লালন-পালন কৰিব লাগে। তেতিয়াহে তেওঁলোকৰ মনত আত্মবিশ্বাস আৰু আশা জন্ম ল'ব। শিশুৰ জগতখন সঁচাকৈয়ে এক অপূৰ্ব সপোনৰ ৰঙীন পৃথিৱী। এই পৃথিৱীত কল্পনা, আনন্দ আৰু আশাৰ এক অপূৰ্ব মিলন ঘটে। শিশুৰ এই সপোনবোৰেই আগন্তুক সমাজৰ ভিত্তি। সেয়েহে আমাৰ দায়িত্ব হৈছে তেওঁলোকৰ এই সপোনবোৰক সুৰক্ষিত কৰা আৰু সঠিক দিশত আগুৱাই নিয়া। শিশুসকলেই আগন্তুক দিনৰ নিৰ্মাতা আৰু তেওঁলোকৰ সপোনবোৰেই ভৱিষ্যতৰ এখন উন্নত আৰু সুন্দৰ পৃথিৱীৰ সূচনা কৰিব। ■

**শিশুৰ মনত সপোনৰ কোনো সীমা নাথাকে। তেওঁলোকে ডাঙৰ হৈ কেতিয়াবা চিকিৎসক, শিক্ষক, বিজ্ঞানী, পাইলট অথবা শিল্পী হোৱাৰ সপোন দেখে। কেতিয়াবা তেওঁলোকে আকাশত উৰাৰ, নতুন নতুন ঠাই দেখাৰ বা ডাঙৰ ডাঙৰ কাম কৰাৰ কল্পনা কৰে। এই সপোনবোৰেই তেওঁলোকৰ মনত এক বিশেষ উৎসাহ সৃষ্টি কৰে। শিশুৰ এই কল্পনাশক্তি আৰু সপোনেৰে ভৰা মনটো তেওঁলোকৰ ব্যক্তিত্ব গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিশুৰ জগতখনত কল্পনা আৰু বাস্তৱতা প্ৰায়ে একেলগে মিলি থাকে। এজন শিশুৱে খেলা বস্তু এটাক নিজৰ বন্ধু বুলি ভাবিব পাৰে বা মাটিৰ ঘৰ এটাক নিজৰ ৰাজপ্ৰাসাদ বুলি কল্পনা কৰিব পাৰে। এইবোৰ সৰু সৰু কল্পনাই তেওঁলোকৰ মনক আনন্দেৰে ভৰাই তোলে। এই কাৰণেই শিশুৰ জগতখন সদায় সজীৱ, উজ্জ্বল আৰু আনন্দময়। তেওঁলোকে সাধাৰণ বস্তুতো অসাধাৰণ আনন্দ বিচাৰি পায়।**



পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# আত্মনিৰ্ভৰ অসম গঢ়াত ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা

যেতিয়া এজন থলুৱা যুৱকে নিজৰ অঞ্চলত এটা ক্ষুদ্ৰ উৎপাদন গোট স্থাপন কৰে, তেতিয়া কেৱল তেওঁৰ নিজৰ বাবেই জীৱিকাৰ পথ নোলায়, বৰং উদ্যোগটোৱে আন পাঁচ-দহজন লোককো কামৰ সুযোগ কৰি দিয়ে। অসমৰ গ্ৰাম্য অঞ্চলসমূহত থকা থলুৱা হস্তশিল্প, এৰী-মুগা তথা পাট কাপোৰৰ বয়ন কাৰ্য, পশুপালন, হাঁহ-কুকুৰা আৰু মীন পালনৰ দৰে ক্ষুদ্ৰ সমবায় বা ব্যক্তিগত গোটসমূহে যুৱ প্ৰজন্মক স্বাৱলম্বী হ'বলৈ এক নতুন দিশ দেখুৱাইছে, যাৰ ফলত কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ হোৱা অনিয়ন্ত্ৰিত প্ৰব্ৰজনৰ হাৰ বহুখিনি হ্ৰাস পাব।



অসমৰ মুঠ জনসংখ্যাৰ সিংহভাগ গাঁৱত বাস কৰে। গতিকে অসমক সামগ্ৰিকভাৱে আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ হ'লে প্ৰথমে গ্ৰাম্য অৰ্থনীতিক স্বতন্ত্ৰ আৰু শক্তিশালী কৰি তুলিব লাগিব। অতীতত আমাৰ গ্ৰাম্য অৰ্থনীতি কেৱল পৰম্পৰাগত এককালীন কৃষি কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি চলিছিল, যাৰ বাবে বানপানীৰ সময়ত বা খেতিৰ বতৰ শেষ হোৱাৰ পিছত গ্ৰাম্য লোকসকলে তীব্ৰ আৰ্থিক নাটনিৰ সন্মুখীন হ'বলগীয়া হৈছিল। ক্ষুদ্ৰ উদ্যোগে গ্ৰাম্য অৰ্থনীতিক এক বহুমুখী আৰু বৈচিত্ৰ্যময় ৰূপ প্ৰদান কৰিছে। গাঁৱৰ চুকে-কোণে গঢ়ি উঠা এই ক্ষুদ্ৰ উদ্যোগসমূহে গ্ৰাম্য অঞ্চলত নগদ ধনৰ প্ৰবাহ বৃদ্ধি কৰে। যেতিয়া গাঁৱৰ সাধাৰণ মানুহৰ হাতলৈ নিয়মীয়া আয় আহে, তেতিয়া তেওঁলোকৰ ক্ৰয় ক্ষমতা বৃদ্ধি পায়, যাৰ প্ৰত্যক্ষ আৰু ইতিবাচক প্ৰভাৱ স্থানীয় বজাৰসমূহত পৰে। ইয়াৰ উপৰি ডাঙৰ ডাঙৰ উদ্যোগসমূহ সাধাৰণতে পৰিবহণৰ সুবিধাৰ বাবে চহৰ বা ঘাইপথৰ ওচৰত কেন্দ্ৰীভূত হয়, যাৰ ফলত চহৰ আৰু গাঁৱৰ মাজত এক গভীৰ আঞ্চলিক বৈষম্যৰ সৃষ্টি হয়। কিন্তু ক্ষুদ্ৰ উদ্যোগসমূহ যিকোনো ভৌগোলিকভাৱে দুৰ্গম অঞ্চলতো স্থানীয় প্ৰয়োজন অনুসৰি স্থাপন কৰিব পৰা যায়। সেয়ে ই অসমৰ বিভিন্ন জিলা আৰু অঞ্চলৰ মাজত থকা অৰ্থনৈতিক অসমতা দূৰ কৰাত গুৰুত্বপূৰ্ণ অনুঘটক হিচাপে কাম কৰে।

অসমৰ সামাজিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটত মহিলাসকল স্বভাৱগতভাৱেই অত্যন্ত পৰিশ্ৰমী, সৃজনীশীল আৰু বিভিন্ন গৃহশিল্পত নিপুণ। বিশেষকৈ বস্ত্ৰশিল্প বা তাঁতশালৰ স'তে অসমীয়া মহিলাৰ সম্পৰ্ক অতি নিবিড়। ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগ খণ্ডই মহিলাসকলক ঘৰৰ চাৰিবেৰৰ চিৰাচৰিত গণ্ডীৰ পৰা উলিয়াই আনি ব্যৱসায়িক জগতত সন্মানেৰে প্ৰতিষ্ঠা লাভ কৰাত অভূতপূৰ্ব সহায় কৰিছে।

বৰ্তমান সময়ত ৰাজ্যখনত সক্ৰিয় হৈ থকা আত্মসহায়ক গোটসমূহৰ জৰিয়তে অসমৰ হাজাৰ হাজাৰ মহিলা ক্ষুদ্ৰ উদ্যোগৰ স'তে প্ৰত্যক্ষভাৱে জড়িত হৈ পৰিছে। এই বৰ্ধিত নাৰী শক্তিয়ে আচাৰ প্ৰস্তুত কৰা, থলুৱা পিঠা-পনা তথা জলপান তৈয়াৰ কৰা, চিলাই কাৰ্য, হস্ততাঁতৰ আধুনিক বস্ত্ৰ উৎপাদন, কাঠফুলা খেতি আদিৰ দৰে বিভিন্ন ক্ষুদ্ৰ ব্যৱসায় অত্যন্ত সফলতাৰে আৰু শৃংখলাবদ্ধভাৱে পৰিচালনা কৰিছে। ইয়াৰ ফলত মহিলাসকলে কেৱল নিজৰ পৰিয়ালটোক আৰ্থিকভাৱে সহায় কৰাই নহয়, বৰং সমাজত নিজৰ মৰ্যাদা, আত্মবিশ্বাস আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাও বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

অসমত ক্ষুদ্ৰ উদ্যোগৰ এই বিশাল সম্ভাৱনীয়তাক বাস্তৱ ৰূপ দিবলৈ আৰু থলুৱা যুৱপ্ৰজন্মক স্বাৱলম্বী কৰাৰ লক্ষ্যৰে শেহতীয়াকৈ ৰাজ্য চৰকাৰে কেইখনমান যুগান্তকাৰী আঁচনি ৰূপায়ণ কৰিছে। ইয়াৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য পদক্ষেপটো হৈছে 'মুখ্য মন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান'। এই আঁচনিৰ জৰিয়তে কাৰিকৰী আৰু সাধাৰণ শিক্ষাৰে দীক্ষিত সহস্ৰাধিক নিবনুৱা যুৱক-যুৱতীক ক্ষুদ্ৰ উৎপাদন গোট বা সেৱা খণ্ডৰ ব্যৱসায় আৰম্ভ কৰিবলৈ ২ লাখৰ পৰা ৫ লাখ টকাপৰ্যন্ত অনুদান আৰু সুতবিহীন ঋণৰ এক সন্মিলিত বিত্তীয় পেকেজ আগবঢ়োৱা হৈছে, যিয়ে থলুৱা ঔদ্যোগিক পৰিৱেশটোলৈ এক অভূতপূৰ্ব জোৱাৰ আনিছে। ঠিক একেদৰে, গ্ৰাম্য অৰ্থনীতিৰ মূল চালিকাশক্তিস্বৰূপ মহিলাসকলক ব্যৱসায়িকভাৱে প্ৰতিষ্ঠা কৰাৰ বাবে আৰম্ভ কৰা 'মুখ্য মন্ত্ৰী মহিলা উদ্যমিতা অভিযানে' গ্ৰাম্য আত্মসহায়ক গোটৰ লাখ লাখ মহিলাক ক্ষুদ্ৰ মাইক্ৰ'এণ্টাৰপ্ৰাইজ বা ব্যক্তিগত উৎপাদন গোট স্থাপনৰ বাবে পোনপটীয়া বিত্তীয় সাহায্য প্ৰদান কৰিছে। চৰকাৰী পৰ্যায়ৰ এনে লক্ষ্যভিত্তিক পদক্ষেপে অসমৰ ক্ষুদ্ৰ উদ্যোগ খণ্ডটোক এক সুৰক্ষিত আৰু গতিশীল ভেটি প্ৰদান কৰিবলৈ সক্ষম হৈছে।

যিকোনো সম্ভাৱনাপূৰ্ণ অৰ্থনৈতিক খণ্ডৰ দৰেই অসমৰ ক্ষুদ্ৰ উদ্যোগ খণ্ডটোও বৰ্তমান সময়ত কেতবোৰ গুৰুতৰ প্ৰত্যাহ্বানৰ পৰা সম্পূৰ্ণ মুক্ত নহয়। এই হেঙাৰসমূহ যদি সময়মতে দূৰ কৰিব পৰা নাযায়, তেন্তে আত্মনিৰ্ভৰশীলতাৰ চূড়ান্ত লক্ষ্যত উপনীত হোৱাটো কঠিন হ'ব। সম্প্ৰতি বহু নতুন ধাৰণা থকা থলুৱা তৰুণ উদ্যমীৰ বাবে প্ৰাৰম্ভিক মূলধনৰ অভাৱ আটাইতকৈ ডাঙৰ সমস্যা হৈ পৰিছে। চৰকাৰে বিভিন্ন আঁচনিৰ কথা ঘোষণা কৰে যদিও বাস্তৱ ক্ষেত্ৰত সাধাৰণ আৰু গ্ৰাম্য উদ্যমীসকলে বেংকৰ পৰা সহজতে, জামিনবিহীনভাৱে ঋণ লাভ কৰাত নানাধৰণৰ লেহেমীয়া প্ৰক্ৰিয়া আৰু জটিলতাৰ সন্মুখীন হ'বলগীয়া হয়। দ্বিতীয়তে, বৰ্তমানৰ প্ৰতিযোগিতামূলক বজাৰত টিকি থাকিবলৈ হ'লে উৎপাদনৰ আধুনিক প্ৰযুক্তি আৰু যান্ত্ৰিকীকৰণ অপৰিহাৰ্য। কিন্তু অসমৰ বহু ক্ষুদ্ৰ উদ্যোগ এতিয়াও পুৰণি কাৰিকৰী পদ্ধতিৰে চলি আছে, যাৰ বাবে সামগ্ৰী উৎপাদনৰ খৰচ বৃদ্ধি পায় আৰু উৎপাদিত সামগ্ৰীৰ ফিনিচিং বা গুণগত মান আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ হ'ব পৰা নাই। তৃতীয়তে, সামগ্ৰী উৎপাদন কৰাটো যিমান প্ৰত্যাহ্বানমূলক, তাক সঠিক বজাৰত উচিত মূল্যত গ্ৰাহকৰ ওচৰলৈ লৈ যোৱাটো তাতকৈও বেছি কঠিন। অসমৰ বহু গ্ৰাম্য ক্ষুদ্ৰ উদ্যমীয়ে আজিও সঠিক বজাৰৰ তথ্য নোপোৱা বাবে মধ্যভোগীৰ শোষণৰ বলি হ'বলগীয়া হৈ আহিছে। চতুৰ্থতে, যিকোনো উৎপাদনমুখী উদ্যোগ অবিৰতভাৱে পৰিচালনা কৰাৰ বাবে নিয়মীয়া আৰু সুলভ বিদ্যুৎ যোগান অপৰিহাৰ্য। কিন্তু অসমৰ গ্ৰাম্য অঞ্চলসমূহৰ ঔদ্যোগিক গোটবোৰ এতিয়াও বিদ্যুৎ কৰ্তনৰ সমস্যাৰ পৰা মুক্ত নহয়। ইয়াৰ উপৰি যাতায়াত ব্যৱস্থাৰ দুৰ্বলতাই অতিৰিক্ত পৰিবহণ খৰচ বৃদ্ধি কৰে।

এই প্ৰত্যাহ্বানসমূহ থকা সত্ত্বেও সঠিক পৰিকল্পনা আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে এই সকলোবোৰ সমস্যাৰ স্থায়ী সমাধান উলিওৱাটো সম্ভৱ। চৰকাৰ, বিত্তীয় প্ৰতিষ্ঠান আৰু সমাজ —এই তিনিও পক্ষৰে এক সন্মিলিত প্ৰচেষ্টাৰ বাবে তলৰ পদক্ষেপসমূহ গ্ৰহণ কৰিব পৰা যায়।

চৰকাৰ আৰু বেংক কৰ্তৃপক্ষই নতুন উদ্যমীসকলৰ বাবে ঋণ প্ৰদানৰ গোটেই প্ৰক্ৰিয়াটো অতি সৰল, নিকা আৰু ডিজিটেল কৰিব লাগে। প্ৰধান মন্ত্ৰী মুদ্ৰা আঁচনি, ষ্টাৰ্টআপ ইণ্ডিয়া বা ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ সুবিধা যাতে প্ৰকৃত যোগ্যতা থকা হিতাধিকাৰীয়ে কোনো হাৰাশাস্তি নোহোৱাকৈ সময়মতে লাভ কৰিব পাৰে, তাৰ বাবে জিলা পৰ্যায়ত একোটা জবাবদিহি তদাৰকী কোষ গঠন কৰিব লাগে।

ৰাজ্যৰ প্ৰতিটো মহকুমা পৰ্যায়ত আধুনিক কাৰিকৰী, বৃত্তিমূলক আৰু ব্যৱসায়িক ব্যৱস্থাপনা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিব লাগে, য'ত যুৱক-যুৱতীসকলক গুণগত সামগ্ৰী প্ৰস্তুতকৰণ, ডিজিটেল মাধ্যমেৰে ব্যৱসায় পৰিচালনা, আধুনিক পেকেজিং আৰু বাণিজ্যিক হিচাপ-নিকাচৰ ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা হ'ব।

বিপণনৰ সমস্যা দূৰ কৰিবলৈ চৰকাৰী উদ্যোগত প্ৰতিখন জিলাতে স্থায়ী থলুৱা বজাৰ বা প্ৰদৰ্শনী কেন্দ্ৰ গঢ়ি তুলিব লাগে। বৰ্তমানৰ ডিজিটেল যুগত, ই-বাণিজ্য বা অনলাইন বজাৰৰ এক বিশাল বিশ্বব্যাপী প্ৰভাৱ আছে। চৰকাৰে অসমৰ ক্ষুদ্ৰ উদ্যোগৰ সামগ্ৰীসমূহক গোলকীয় অনলাইন বিপণন প্লেটফ'ৰ্মসমূহৰ স'তে পোনপটীয়া সংযোগ কৰি দিবলৈ বিশেষ পৰিবহণ আৰু কাৰিকৰী সাহায্য আগবঢ়াব পাৰে।

গ্ৰাম্য ঔদ্যোগিক ক্লাষ্টাৰসমূহ চিনাক্ত কৰি তাত ২৪ ঘণ্টাই গুণগত বিদ্যুৎ আৰু উন্নত পথ যোগাযোগ নিশ্চিত কৰাটো প্ৰশাসনৰ প্ৰাথমিক কৰ্তব্য হোৱা উচিত।

পৰিশেষত ক'ব পাৰি যে অসমক এখন প্ৰকৃত অৰ্থত আত্মনিৰ্ভৰশীল, শক্তিশালী আৰু স্বাৱলম্বী ৰাজ্য হিচাপে গঢ়ি তোলাৰ সপোন কেৱল চৰকাৰী কাৰ্যালয়ৰ ফাইল, নীতি বা ৰাজনৈতিক শ্ল'গানৰ মাজতে আবদ্ধ থাকিলে কেতিয়াও ফলপ্ৰসূ নহ'ব। ইয়াৰ বাবে আমাৰ সমগ্ৰ সমাজখনৰ চিৰাচৰিত মানসিকতাৰো এক ইতিবাচক পৰিৱৰ্তন হ'ব লাগিব। সমাজৰ নতুন প্ৰজন্মই কেৱল সীমিত পৰিসৰৰ চৰকাৰী চাকৰিৰ পাছত দৌৰাৰ মানসিকতা পৰিহাৰ কৰি স্ব-নিয়োজন, উদ্ভাৱন আৰু উদ্যোগশীলতাক জীৱনৰ এক মৰ্যাদাপূৰ্ণ কেৰিয়াৰ হিচাপে আদৰি ল'ব লাগিব। ইয়াৰ সমান্তৰালভাৱে, আমাৰ ৰাজ্যৰ স্থানীয় গ্ৰাহক তথা সাধাৰণ জনসাধাৰণৰ মাজতো থলুৱা সামগ্ৰী আদৰি লোৱাৰ এক সুস্থ অভ্যাস গঢ়ি উঠিব লাগিব। ক্ষুদ্ৰ উদ্যোগসমূহ কেৱল লাভ অৰ্জন কৰা ব্যৱসায়িক প্ৰতিষ্ঠানেই নহয়, ই হৈছে অসমৰ অৰ্থনৈতিক স্বাধিকাৰ আৰু আত্মমৰ্যাদা ৰক্ষাৰ একো একোটা শক্তিশালী দুৰ্গ। অসমৰ যুৱপ্ৰজন্মৰ অদম্য উৎসাহ, মেধা আৰু আধুনিক প্ৰযুক্তিৰ স'তে যদি আমাৰ চহকী প্ৰাকৃতিক সম্পদ আৰু পৰম্পৰাগত কৃষ্টি-শিল্পৰ এক যুগোপযোগী মিলন ঘটাব পৰা যায়, তেন্তে আত্মনিৰ্ভৰ অসম গঢ়াৰ ঐতিহাসিক লক্ষ্যত উপনীত হ'বলৈ অধিক দিন নালাগিব। ■

## চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ — ডিজিটেল যুগৰ গৰমৰ

কিয়। কিতাপ পঢ়াৰ ফলত কেৱল যে শব্দভাণ্ডাৰ বৃদ্ধি হয় এনে নহয়, ই তেওঁলোকৰ কল্পনাশক্তিৰ দিগন্তকো অপৰিসীমভাৱে প্ৰসাৰিত কৰে। অভিভাৱকসকলে নিজৰ ব্যস্ত সময়সূচীৰ মাজতো সন্তানৰ সৈতে একেলগে বহি কিতাপ পঢ়াৰ এক উপযুক্ত পৰিৱেশ গঢ়ি তুলিব পাৰে আৰু পঠিত বিষয়বস্তুৰ ওপৰত মুকলি আলোচনা কৰিব পাৰে। ইয়াৰ ফলত শিশুসকলৰ সমালোচনাত্মক আৰু বিশ্লেষণাত্মক ক্ষমতা বৃদ্ধি পায় আৰু তেওঁলোকে নিজৰ সুনিৰ্দিষ্ট মত প্ৰকাশ কৰিবলৈ কোনো ধৰণৰ সংকোচ নকৰা হয়। নিজৰ মাতৃভাষা, যেনে অসমীয়া ভাষাৰ সাহিত্যৰ সৈতে পৰিচয় কৰাই দিয়াটোও এই সময়ত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব পাৰে। যিহেতু চলিত বৰ্ষৰ চৰম গ্ৰীষ্মপ্ৰবাহৰ বাবে দিনৰ ভাগত বাহিৰলৈ গৈ খেলা-ধূলা কৰাত বাধা আহি পৰে, সেয়েহে ঘৰৰ চৌহদতে, বেলকনিত বা ঘৰৰ ছাদত সৰুকৈ এখন বাগিচা পতাৰ প্ৰয়াস কৰিব পাৰি। মাটি প্ৰস্তুত কৰা, বীজ সিঁচাৰ পৰা আৰম্ভ কৰি পুলিটো ডাঙৰ হৈ ফুল বা ফল ধৰালৈকে যি নিয়মীয়া যতন ল'ব লাগে, সেয়া শিশুসকলৰ বাবে এক জীৱন্ত আৰু অমূল্য অভিজ্ঞতা। ই তেওঁলোকক ধৈৰ্য, নিয়মীয়া পৰিশ্ৰম আৰু প্ৰকৃতিৰ প্ৰতি থকা মানৱীয় দায়বদ্ধতাৰ বিষয়ে গভীৰভাৱে শিকায়। তদুপৰি, ঘৰুৱা কাম-কাজ যেনে— সৰুকৈ ৰন্ধা-বঢ়া কৰাত সহায় কৰা, নিজৰ কোঠাটো আৰু কাপোৰ-কানি পৰিষ্কাৰ কৰি ৰখা বা ঘৰুৱা সামগ্ৰী ক্ৰয় কৰাৰ সময়ত সাধাৰণ বাজেট প্ৰস্তুত কৰা আদি জীৱন ধাৰণৰ প্ৰাথমিক কৌশলসমূহো এই সময়তে শিকাব পাৰি। এইবোৰে তেওঁলোকক কেৱল পৰিয়ালৰ প্ৰতি দায়বদ্ধ নকৰে, বৰঞ্চ ভৱিষ্যতে এজন আত্মনিৰ্ভৰশীল আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি উঠাতো সহায় কৰে। আজিৰ একবিংশ শতিকাৰ ডিজিটেল যুগত প্ৰযুক্তিক সম্পূৰ্ণৰূপে নাকচ কৰাটো অসম্ভৱ আৰু একেবাৰেই অযৌক্তিক। কিন্তু প্ৰযুক্তিৰ ব্যৱহাৰ কেৱল অৰ্থহীন গেম খেলা বা ছ'চিয়েল মিডিয়াত ঘণ্টাৰ পিছত ঘণ্টা সময় অতিবাহিত কৰাতে আবদ্ধ থাকিব নালাগে। গৰমৰ বন্ধত ছাত্ৰ-ছাত্ৰীসকলক গঠনমূলক আৰু সৃষ্টিশীল কামত প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ শিকাব লাগে। উদাহৰণস্বৰূপে, তেওঁলোকক কম্পিউটাৰ প্ৰগ্ৰেমিং বা ক'ডিং শিকিবলৈ উৎসাহিত কৰিব পাৰি। বৰ্তমান ইণ্টাৰনেটত বহুতো বিনামূলীয়া আৰু সহজে বুজিব পৰা প্লেটফ'ৰ্ম উপলব্ধ, যিয়ে শিশুসকলক খেলৰ চলেৰে লজিকেল চিন্তাধাৰা শিকায়। ইয়াৰ উপৰি ডিজিটেল অংকন, সাধাৰণ এনিমেচন নিৰ্মাণ বা কোনো এটা নতুন বিদেশী ভাষা শিকাৰ বাবেও প্ৰযুক্তিৰ ধনাত্মক সহায় ল'ব পাৰি। ইয়াৰ ফলত তেওঁলোকে স্মাৰ্টফোন বা কম্পিউটাৰক কেৱল মনোৰঞ্জনৰ আহিলা হিচাপে গণ্য কৰাৰ পৰিৱৰ্তে ইয়াক এক শক্তিশালী সঁজুলি হিচাপে ব্যৱহাৰ কৰি নিজৰ সৃষ্টিশীলতাক এক নতুন আৰু আধুনিক ৰূপ দিবলৈ সক্ষম হ'ব। গৰমৰ বন্ধৰ সুদীৰ্ঘ সময়খিনি শিশুসকলক সমাজৰ প্ৰতি থকা তেওঁলোকৰ দায়বদ্ধতাৰ বিষয়ে অৱগত কৰাৰ এক অতিশয় উপযুক্ত সময়। তেওঁলোকক ওচৰ-চুবুৰীয়াৰ সৈতে মিলি কোনো পৰিৱেশ পৰিষ্কাৰ কৰা অভিযানত অংশগ্ৰহণ কৰিবলৈ, বৃক্ষৰোপণ কাৰ্যসূচীত ভাগ ল'বলৈ বা নিজৰ পুৰণি ব্যৱহাৰযোগ্য কিতাপ আৰু কাপোৰ আৰ্তজনক দান কৰিবলৈ উৎসাহিত কৰিব পাৰি। এনে নিঃস্বাৰ্থ কাৰ্যই তেওঁলোকৰ কুমলীয়া মনত সহানুভূতি আৰু মানৱীয় মূল্যবোধৰ বীজ দকৈ সিঁচি দিয়ে। বৰ্তমানৰ চৰম প্ৰতিযোগিতামূলক আৰু ব্যক্তিকেন্দ্ৰিক পৃথিৱীখনত কেৱল নিজৰ কথা নভবাকৈ আনৰ প্ৰতিও নিঃস্বাৰ্থভাৱে সহায়ৰ হাত আগবঢ়োৱাৰ মানসিকতা গঢ়ি তোলাটো এক সুস্থ, সবল আৰু শান্তিপূৰ্ণ সমাজ নিৰ্মাণৰ বাবে নিতান্তই প্ৰয়োজনীয়। গৱেষণাই দেখুৱাইছে যে যিসকল শিশুৱে সৰুৰে পৰা সামাজিক কামত জড়িত থাকে, তেওঁলোকৰ মানসিক স্বাস্থ্য আনৰ তুলনাত বহু গুণে উন্নত হয়। যান্ত্ৰিকতাৰ এই দ্ৰুতগতিত ধাৱমান যুগত পৰিয়ালৰ সদস্যসকলৰ মাজত আৱেগিক বান্ধোন ক্ৰমান্বয়ে শিথিল হৈ পৰা দেখা গৈছে। গৰমৰ বন্ধই এই হেৰাই যাব ধৰা বান্ধোন পুনৰ সুদৃঢ় কৰাৰ এক সুন্দৰ সুযোগ প্ৰদান কৰে। একেলগে বহি পুৰণি ফটোৰ এলবাম চোৱা, আইতা-ককাৰ পৰা তেওঁলোকৰ সৰুকালৰ জীৱন সংগ্ৰামৰ কাহিনী শুনা বা গধূলি সময়ত একেলগে কোনো এক ঘৰুৱা খেল (যেনে- লুডু, কেৰম বা দবা) খেলাৰ জৰিয়তে পৰিয়ালৰ মাজত এক আন্তৰিক আৰু উমাল পৰিৱেশৰ সৃষ্টি কৰিব পাৰি। শিশুৰ সামগ্ৰিক মানসিক বিকাশৰ বাবে এনে গুণগত সময়ৰ মূল্য অপৰিসীম। ই তেওঁলোকক মানসিকভাৱে সবল আৰু নিৰাপদ অনুভৱ কৰায়, যিয়ে ভৱিষ্যতৰ যিকোনো মানসিক চাপ অতিক্ৰম কৰাত এক ঢাল হিচাপে কাম কৰে। গৰমৰ বন্ধক ফলপ্ৰসূ কৰাৰ নামত বৰ্তমানৰ সমাজত অভিভাৱকসকলে প্ৰায়ে শিশুসকলৰ ওপৰত অতিৰিক্ত হেঁচা প্ৰয়োগ কৰা পৰিলক্ষিত হয়। পুৱাৰ পৰা গধূলিলৈকে বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰ যেনে— গানৰ ক্লাছ, নাচৰ ক্লাছ, আবৃত্তিৰ ক্লাছ বা অংকনৰ ক্লাছ আদিত ধাৰাবাহিকভাৱে নামভৰ্তি কৰি তেওঁলোকৰ আজৰি সময়খিনি সম্পূৰ্ণৰূপে কাঢ়ি নিব নালাগে। বন্ধৰ প্ৰকৃত অৰ্থই হৈছে জিৰণি, মানসিক প্ৰশান্তি আৰু অলপ ব্যস্ত সময়সূচীৰ পৰা মুক্তি। সেয়েহে শিশুসকলক তেওঁলোকৰ নিজৰ পছন্দৰ কামবোৰ স্বাধীনভাৱে কৰিবলৈ কিছু মুকলি আৰু নিৰ্দেশনাবিহীন সময়ো দিব লাগে। যিকোনো সৃষ্টিশীল কাম তেওঁলোকৰ স্ব-ইচ্ছা আৰু স্বতঃস্ফূৰ্ততাৰে হোৱা উচিত, অভিভাৱকৰ দ্বাৰা জোৰকৈ জাপি দিয়া নহয়। এখন মুকলি আকাশৰ তলত উৰি ফুৰা স্বাধীন চৰাইৰ দৰেই শিশুৰ মনটোকো স্বাধীনভাৱে চিন্তা কৰিবলৈ আৰু কল্পনাৰ ডেউকা মেলিবলৈ সুবিধা দিলেহে প্ৰকৃত সৃষ্টিশীলতাৰ স্বাভাৱিক প্ৰকাশ ঘটে।

সাম্প্ৰতিক সময়ৰ বতৰৰ পৰিৱৰ্তন আৰু শিক্ষা ব্যৱস্থাৰ নতুন প্ৰত্যাহ্বানসমূহৰ গভীৰ বিশ্লেষণৰ অন্তত মই এইটোৱেই দৃঢ়তাৰে ক'ব বিচাৰো যে গৰমৰ বন্ধ হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ ব্যক্তিত্ব বিকাশৰ এক অতিশয় গুৰুত্বপূৰ্ণ অধ্যায়। শেহতীয়া জলবায়ু পৰিৱৰ্তনৰ বাবে বন্ধৰ দিন বাঢ়িলেও, এই সময়খিনিক আমি এক হতাশজনক প্ৰত্যাহ্বান হিচাপে নোলোৱাকৈ এক ইতিবাচক সুযোগ হিচাপে গ্ৰহণ কৰিব লাগে। পাঠ্যপুথিৰ চাৰিবেৰৰ বাহিৰেও এখন বিশাল আৰু বৰ্ণিল পৃথিৱী আছে, য'ত প্ৰতিটো খোজতে শিকিবলগীয়া বহু কথা আছে। মুকলি মনেৰে কৰা সৃষ্টিশীল কাৰ্যকলাপ, নিৰন্তৰ পঠন অভ্যাস, প্ৰকৃতিৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম আৰু সমাজৰ প্ৰতি থকা গভীৰ দায়বদ্ধতাৰ জৰিয়তে আমি আমাৰ ভৱিষ্যৎ প্ৰজন্মক এক সুস্থ, আৱেগিকভাৱে সবল আৰু সৃষ্টিশীল মানৱ সম্পদ হিচাপে গঢ়ি তুলিব পাৰো। গৰমৰ বন্ধ কেৱল অলসভাৱে সময় কটোৱাৰ মাধ্যম নহয়, ই হৈ পৰক জীৱনক নতুনকৈ আৱিষ্কাৰ কৰাৰ, নিজৰ ভিতৰৰ প্ৰতিভাক চিনি পোৱাৰ আৰু এখন সুন্দৰ পৃথিৱী গঢ়াৰ এক অনুপম আৰু স্মৰণীয় যাত্ৰা।

# লোকসংস্কৃতিৰ একনিষ্ঠ সাধক খগেন বেজবৰুৱা

পংকজ বেজবৰুৱা

নলবাৰী জিলাৰ টিহু পৌৰসভাৰ অন্তৰ্গত ৫ নম্বৰ ৱাৰ্ডৰ পৰমানখোৱা নিৱাসী খগেন বেজবৰুৱাই আজীৱন লোকসংস্কৃতিৰ সাধক হৈ সমাজত ফৰিংফুটা নাম হিচাপে পৰিচিতি লাভ কৰিছে। ক'বলৈ গ'লে এই লোকগৰাকী লোকসংস্কৃতিৰ একনিষ্ঠ সাধক। পিতৃ প্ৰতাপ বেজবৰুৱা আৰু মাতৃ সন্ধ্যা বেজবৰুৱাৰ চাৰিগৰাকী পুত্ৰৰ ভিতৰত খগেন বেজবৰুৱা কনিষ্ঠ। এইগৰাকী মাটিৰ মানুহে প্ৰকৃততে জন্মৰপৰাই অসমীয়া লোকসংস্কৃতিৰ সুবিমল আৰু সুগন্ধত লালিত পালিত হৈছিল। তেওঁৰ পিতৃ প্ৰতাপ বেজবৰুৱাও ওজাপালি, ডাইনাপালি আৰু জুনানামৰ এগৰাকী জনপ্ৰিয় শিল্পী আছিল। তেওঁ অসমৰ বিভিন্ন ঠাইৰ লগতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জৰিয়তে জুনানাম পৰিৱেশন কৰি সুনাম আৰ্জিছিল। সেয়ে খগেন বেজবৰুৱাই তেওঁৰ পিতৃয়ে ৰেডিঅ'ৰ জৰিয়তে সৃষ্টি কৰা সেই সুনাম আৰু গৌৰৱময় পৰিৱেশৰ বিষয়ে স্মৰণ কৰি তাক জীয়াই ৰাখিবলৈ আজিও স্মৃতিকাতৰ হয়। খগেন বেজবৰুৱাই পিতাকৰ সংস্কৃতি, অসমীয়া জাতিৰ সংস্কৃতিৰ বৰঘৰটোক সবল কৰি ধৰি ৰাখিবলৈ চেষ্টা কৰিলে। পণ ল'লে। সেয়ে তেওঁ পিতাকৰ সৈতে ওজাপালি, ডাইনাপালি আৰু জুনানামৰ শিল্পী হিচাপে আত্মপ্ৰকাশ কৰিলে। ঘৰৰ সকলো সদস্য মিলি ঘৰখনত, অঞ্চলটোত এক সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰিবলৈ অহোপুৰুষাৰ্থ কৰিলে। তেনেদৰে খগেন বেজবৰুৱাই এটা নাগাৱা নামদল গঠন কৰি অসমৰ বিভিন্ন ঠাইত পৰিৱেশন কৰি সমাদৰ লাভ কৰি আহিছে। বৰ্ণাঢ্য অসমীয়া সংস্কৃতিৰ পৰিৱেশ্য কলাৰ সাধকগৰাকীয়ে প্ৰায় ১৬ বছৰ বয়সৰপৰাই ওজাপালি, ডাইনাপালি আৰু জুনানামৰ শিল্পী হিচাপে নলবাৰী, বাক্সা, কামৰূপ আৰু বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তীয় ওজাপালি আৰু জুনা নামদলৰ শিল্পী হিচাপে সাতামপুৰুষীয়া সাংস্কৃতিক প্ৰৱাহক প্ৰাণৱন্ত কৰি আহিছে। তদুপৰি তেওঁ বিগত প্ৰায় ১৫ বছৰে নাগাৱা নামদল গঠন কৰি জন সমাজত ইয়াৰ চৰ্চা আৰু প্ৰসাৰত গুৰুত্ব আৰোপ কৰি আহিছে। পৰিয়ালৰ প্ৰতিগৰাকী সদস্যক নাগাৱানাম শিকাইছে। জুনানাম আৰু ওজাপালিও শিকাইছে। এনেদৰে পৰিয়ালৰ প্ৰতিগৰাকী সদস্যৰ সহযোগত অঞ্চলটোত এক সাংস্কৃতিক পৰিৱেশ জীয়াই ৰখাত বাৰুকৈয়ে সফল হৈছে। সাংস্কৃতিক চেতনাক সবল কৰি চুবুৰীয়াক প্ৰেৰণা যোগাইছে। ঋতুকালীন আৰু আন প্ৰাসংগিক অনুষ্ঠানত লোকসংস্কৃতিৰ এইবোৰ পৰিৱেশ্য কলা প্ৰদৰ্শনেৰে সমাজত সাংস্কৃতিক প্ৰৱাহ অটুট ৰখাৰ লগতে সমাজক শকতি প্ৰদান কৰাৰ দিশত প্ৰভূত বৰঙণি দি আহিছে। পাছে এইনে সংস্কৃতিৰ সাধক, ধাৰক, বাহকগৰাকীয়ে আধি খেতি কৰাৰ লগতে ঘৰুৱা নানা কৰ্মেৰে দিন হাজিৰা কৰি কোনোমতেহে জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। চৰকাৰী সকলো সুবিধাৰপৰা এতিয়াও বঞ্চিত হৈ আছে। তেওঁৰ লগতে পৰিয়ালৰ চহকী সাংস্কৃতিক যাত্ৰাক টনকিয়াল কৰি ধৰি ৰাখিবলৈ আৰ্থিক সাহায্য অতীৱ প্ৰয়োজন। শিল্পী মানেই স্বাভিমানী; শিল্প চৰ্চাতেই মগন। সেই সূত্ৰেই তেওঁ এই বিষয়ে আনক কৈ নুফুৰে, ভাল নাপায়। তথাপি আমি আশা কৰো, চৰকাৰে এনে শিল্পীৰ প্ৰতি বিশেষ নজৰ দি লোকসংস্কৃতিৰ সাধনা, প্ৰচাৰ, প্ৰসাৰক অম্লান আৰু সুশীল কৰি ৰাখিবলৈ তেওঁলোকক প্ৰেৰণা যোগাই সমাজৰ আদৰ্শস্বৰূপ হিচাপে জীয়াই থাকিবলৈ সাহ দিব। পংকজ বেজবৰুৱা।

## সপ্তম পৃষ্ঠাৰ পৰা ঃ — ভাস্কৰ্য আৰু স্থাপত্যৰ

যেন অনুমান হয়। প্ৰাচীন মন্দিৰৰ উপৰি ভাগ ভাঙিই যোৱাৰ পিছত ১৬৪৫ শকত আহোম স্বৰ্গদেউ শিৱসিংহই ভগ্ন অংশ পুনৰ নিৰ্মাণ কৰোৱাত ভগ্নকাভৰণত শৈৱ ধৰ্মৰ প্ৰতীক ত্ৰিশূল আৰু গৰ্ভ গৃহত শিৱ লিংগ প্ৰতিষ্ঠা কৰে। মন্দিৰ ভাগৰ বাহিৰৰ ফালে লাগি থকা চতুৰ্ভুজ ৰূপৰ দহোটা বিষ্ণু মূৰ্তি আৰু চাৰিগৰাকী নাৰী মূৰ্তি দেখা যায়। ইয়াৰে এগৰাকী হ'ল জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী। আন এগৰাকী শিৱ লিংগৰ ওপৰত মুক্ত পংকজত মহা আনন্দেৰে বহি থকা জটা ধাৰিনী নাৰী মূৰ্তি আৰু বাকী দুগৰাকী লক্ষ্মীৰূপে পৰিচিত। ইয়াৰ বাহিৰেও কলা শিলত খোদিত কৰা সপ্তঘোৰাৰে সুসজ্জিত দণ্ডায়মান বিশ্ব বিমোহন সূৰ্য দেৱতাৰ মূৰ্তিটো আকৰ্ষণীয় আৰু চমকপ্ৰদ। সূৰ্য দেৱতাৰ দুয়ো কাষে ক্ষুদ্ৰ আকাৰৰ দুটি পুৰুষ মূৰ্তি পৰি দৃষ্ট হয়। এওঁলোক হ'ল দণ্ড আৰু পিংগল। পটভূমি ৰ নিম্ন স্তৰত সপ্ত ঘোৰা গতি ছন্দত সঙ সজ্জিত কৰা। ইয়াৰে মধ্য স্থানৰ চক্ৰৰ ভিতৰত থকা চলন্ত ঘোঁৰাটোৱে বাৰ্ষিক গতিৰ সন্ধান দাঙি ধৰিছে। মূৰ্তি টো প্ৰায় চাৰি ফুট দীঘল আৰু দুই ফুট বহল। বিশিষ্ট লেখক চিত্ৰ শিল্পী মাধৱ বৈশ্যদেৱে কৈছে যে সূৰ্য দেৱতাৰ এই মূৰ্তিটো ১২ শতিকাৰ বংগ দেশৰ গংগা সাগৰী সূৰ্য দেৱতাৰ মূৰ্তি। ১৩ শতিকাৰ কোণাৰকৰ সূৰ্য মন্দিৰত থকা সূৰ্য মূৰ্তিৰ লগতে এই মূৰ্তিটোৰ যথেষ্ট সাদৃশ্য আছে। অসমত সাধাৰণতে সূৰ্য মন্দিৰ বুলি ক'লে গোৱালপাৰা পাৰাৰ শ্ৰীসূৰ্য পাহাৰৰ কথা সকলোৰে মনলৈ আহে। এই পাহাৰত থকা হিন্দু জৈন আৰু বৌদ্ধ ধৰ্মৰ যি স্থাপত্য আৰু ভাস্কৰ্য আছে, সেই সম্পদবোৰৰ ভিতৰত সূৰ্যৰ মূৰ্তি খননকাৰ্যত পোৱা গৈছে। শ্ৰীসূৰ্য পাহাৰত এটা কম একলাখ শিৱ লিংগ থকা বুলি কোৱা হয় যদিও এই শিৱ লিংগবোৰৰ ভিতৰত বৃহৎ আকাৰৰ স্তুপকেইটাক বৌদ্ধ ধৰ্মৰ স্তুপ বোলা হয়। এই সম্পৰ্কে আমি প্ৰান্তিক আলোচনীত ৩০ বছৰ পূৰ্বে লেখা মেলা কৰিছিলো। শুৱালকুছিত থকা সিদ্ধেশ্বৰী মন্দিৰৰ স্থাপত্য আৰু ভাস্কৰ্য শৈলীত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ থকা বুলি গৱেষক পণ্ডিত কিছু সংখ্যকে উল্লেখ কৰি গৈছে। হাজোৰ পৰা শুৱালকুছি আৰু বামুন্দী অঞ্চলত যে বৌদ্ধ ধৰ্মৰ প্ৰাধান্য আছিল, সেই কথা বামুন্দীত থকা ধাৰেশ্বৰ দেৱালয়ৰ ভাস্কৰ্যত সুন্দৰভাৱে প্ৰতি ফলিত হৈছে। সিদ্ধেশ্বৰী দেৱালয়ত থকা সূৰ্য মূৰ্তিৰ ভাস্কৰ্য ই ন ন তথ্যৰ সন্তেদ দিব পাৰিব বুলি আশা কৰিব পাৰি। আগলৈ ধাৰেশ্বৰ দেৱালয়ৰ ভাস্কৰ্য স্থাপত্য আৰু ভাস্কৰ্য সম্পৰ্কে আলোচনা কৰিবলৈ চেষ্টা কৰিম। স্থাপত্য আৰু ভাস্কৰ্য সম্পৰ্কে গৱেষণা পৰ্যায়ত কাম কৰা গৱেষকসকলক শুৱালকুছিৰ সিদ্ধেশ্বৰীৰ দেৱালয়ত থকা সূৰ্যৰ মূৰ্তি সম্পৰ্কে বিশদ আলোচনা আগবঢ়াবলৈ অনুৰোধ থাকিল। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# আই আই এম, গুৱাহাটীত শিক্ষাবৰ্ষৰ

বুলি ঘোষণা কৰে। প্ৰথমটো শিক্ষাবৰ্ষৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ দেশৰ ১৮ খন ৰাজ্যৰ ৫২ গৰাকী শিক্ষাৰ্থীয়ে আই আই এম, গুৱাহাটীত নামভৰ্তি কৰিছে। বৰ্তমান আই আই এম, গুৱাহাটীৰ পাঠদান পলাশবাৰীৰ বঙৱাত টেক চিটীৰ অস্থায়ী চৌহদত কৰা হ'ব। তিনিবছৰৰ ভিতৰত পলাশবাৰীত আৱণ্টন দিয়া ৫৭৪ বিঘা মাটিত আই আই এম, গুৱাহাটীৰ স্থায়ী চৌহদ নিৰ্মাণ কৰা হ'ব। একেদিনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই বঙৱাত ডিজিটেল ডিজাইন আৰু থ্ৰী ডি প্ৰিণ্টিং উৎকৰ্ষতা কেন্দ্ৰও আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে স্থানীয় বিধায়ক হিমাংশু শেখৰ বৈশ্য, এমট্ৰ'নৰ অধ্যক্ষ ৰমেন্দ্ৰ নাৰায়ণ কলিতাসহ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে এই উৎকৰ্ষতা কেন্দ্ৰটোৰে উদ্বোধনৰ পূৰ্বেই প্ৰায় ১২ কোটি টকাৰ ব্যৱসায় কৰা বুলি মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীক ডঃ শৰ্মা আই আই আই টি, গুৱাহাটীৰ চৌহদত উপস্থিত হৈ নৱনিৰ্মিত ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰাৰ লগতে পলাশবাৰী চি ডি চিৰ নতুন একত্ৰিত ভৱনৰো আধাৰশিলা

# বান ঃ স্বাস্থ্য বিভাগক সষ্টম হৈ থাকিবলৈ

অংশগ্ৰহণ কৰে। সভাত জিলাকেইখনৰ স্বাস্থ্যসেৱাৰ সামগ্ৰিক অৱস্থা, চিকিৎসা আন্তঃগাঁথনি, চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ উপলব্ধতা, বিভিন্ন চৰকাৰী স্বাস্থ্য আঁচনিৰ ৰূপায়ণ আৰু জনসাধাৰণক আগবঢ়োৱা চিকিৎসা সেৱাৰ মানদণ্ডৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। সভাত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে প্ৰসূতি মাতৃ আৰু নৱজাতকৰ সুৰক্ষাক সৰ্বাধিক গুৰুত্ব আৰোপ কৰি প্ৰতিটো বিধানসভা সমষ্টিতে চিকিৎসকৰ জৰিয়তে চি-ছেকচন (Cesarean Section) অস্ত্ৰোপচাৰ সেৱা আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ কয় যে, জটিল প্ৰসৱৰ ক্ষেত্ৰত গৰ্ভৱতী মহিলাসকলক দূৰ-দূৰণিৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰিবলগীয়া পৰিস্থিতি হ্ৰাস কৰাৰ লগতে সময়মতে উন্নত চিকিৎসা নিশ্চিত কৰিবলৈ প্ৰতিটো সমষ্টিতে এই সেৱা উপলব্ধ হোৱাটো অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ উপৰিও মাতৃ আৰু শিশু মৃত্যুৰ হাৰ অধিক হ্ৰাস কৰা, বিপদাশংকাপূৰ্ণ গৰ্ভধাৰণ আগতীয়াকৈ চিনাক্ত কৰি উপযুক্ত চিকিৎসা নিশ্চিত কৰা, বিনামূলীয়া ডায়েলাইচিছ সেৱাৰ সুবিধা অধিক সংখ্যক ৰোগীৰ কাষলৈ লৈ যোৱা আৰু বিভিন্ন স্বাস্থ্য সূচকৰ উন্নতি সাধনৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। লগতে চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মী আৰু বিভাগীয় বিষয়াসকলক নিষ্ঠা, দায়িত্ববোধ আৰু সমন্বয়ৰে কাম কৰি চৰকাৰৰ স্বাস্থ্যসেৱাক অধিক ফলপ্ৰসূ আৰু জনমুখী কৰি তুলিবলৈ আহ্বান জনায়। সভাত ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যসূচী, ৰাষ্ট্ৰীয় কিশোৰ স্বাস্থ্য কাৰ্যসূচী, বিদ্যালয় স্বাস্থ্য ক্লাব আৰু 'যক্ষ্মামুক্ত ভাৰত' অভিযানৰ অগ্ৰগতিৰো বিস্তৃত পৰ্যালোচনা কৰা হয়। শিশু আৰু কিশোৰ-কিশোৰীৰ স্বাস্থ্য সুৰক্ষা, বিদ্যালয়ভিত্তিক স্বাস্থ্য সজাগতা, যক্ষ্মা নিৰ্মূল অভিযানৰ অগ্ৰগতি আৰু অন্যান্য জনস্বাস্থ্য আঁচনিসমূহ অধিক ফলপ্ৰসূভাৱে ৰূপায়ণৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰা হয়। সভাত উপস্থিত জনপ্ৰতিনিধিসকলে নিজ নিজ সমষ্টিৰ স্বাস্থ্য খণ্ডৰ বিভিন্ন সমস্যা, চিকিৎসা আন্তঃগাঁথনিৰ সীমাবদ্ধতা, বিশেষজ্ঞ চিকিৎসকৰ অভাৱ, অত্যাধুনিক সা-সঁজুলিৰ প্ৰয়োজনীয়তা আৰু গ্ৰাম্যাঞ্চলত স্বাস্থ্যসেৱা অধিক শক্তিশালী কৰাৰ ওপৰত আলোচনা কৰে। এই সভাখনত বিৰোধী দলৰ দলপতি ৰাজেদ আলী চৌধুৰীৰ লগতে বিধায়ক জীৱেছ ৰয় (বিলাসীপাৰা), বেবী বেগম (ধুবুৰী), মুহিবুৰ হক (দক্ষিণ শালমাৰা-মানকাচৰ), আব্দুছ চবহাৰ আলী সৰকাৰ (গৌৰীপুৰ), সেউলি মহিলাৰী (কোকৰাঝাৰ), ৰূপম ৰায় (বাওখুংগ্ৰী), আশ্ৰাফুল ইছলাম শেখ (পৰ্বতঝোৰা) আৰু ভূপেন ৰায় (অভয়াপুৰী) উপস্থিত থাকি অঞ্চলভিত্তিক স্বাস্থ্য সমস্যাসমূহ আৰু জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ বিষয়ে মন্ত্ৰীগৰাকীৰ অৱগত কৰে। সভাত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত-সচিব ডাঃ পি. অশোক বাবু, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ মিছন সঞ্চালক ডাঃ লক্ষ্মনন এছ, কাৰ্যবাহী সঞ্চালক ডাঃ অভিজিৎ শৰ্মাসহ বিভাগটোৰ কেইবাজনো জ্যেষ্ঠ বিষয়াই চৰকাৰী স্বাস্থ্য আঁচনিসমূহৰ ৰূপায়ণ, চিকিৎসা আন্তঃগাঁথনিৰ উন্নয়ন, মানৱ সম্পদ শক্তিশালীকৰণ আৰু তৃণমূল পৰ্যায়ত গুণগত স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰত বিস্তৃত পৰ্যালোচনা আগবঢ়ায়। সভাৰ অন্তত স্বাস্থ্যসেৱাৰ মান অধিক উন্নত কৰাৰ লক্ষ্যৰে বিভিন্ন কাৰ্যসূচী সময়সীমাৰ ভিতৰত ৰূপায়ণৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰা হয়। উল্লেখ্য যে ইয়াৰ পাছতেই ৰাজ্যত শেহতীয়াকৈ সৃষ্টি হোৱা বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে অসম চিকিৎসা মহাবিদ্যালয়, যোৰহাট চিকিৎসা মহাবিদ্যালয়, লগতে যোৰহাট, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ জিলা প্ৰশাসনৰ স'তে ভিডিঅ' কনফাৰেঞ্চযোগে এখন জৰুৰী বৈঠক অনুষ্ঠিত কৰে। বৈঠকত তেওঁ সংশ্লিষ্ট সকলো বিভাগক সৰ্বক্ষণ সষ্টম আৰু সজাগ হৈ থাকিবলৈ নিৰ্দেশ দিয়ে। লগতে বানপীড়িত অঞ্চলসমূহত প্ৰয়োজনীয় ঔষধৰ পৰ্যাপ্ত মজুত নিশ্চিত কৰা, জৰুৰীকালীন চিকিৎসা সেৱাৰ বাবে বিশেষ মেডিকেল টীম গঠন কৰি সাজু কৰি ৰখা, স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা, বিশুদ্ধ খোৱাপানী আৰু পৰিচ্ছন্নতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে যিকোনো স্বাস্থ্যজনিত জৰুৰী পৰিস্থিতি তৎকালে মোকাবিলা কৰি বানাক্ৰান্ত লোকসকলক সকাহ আৰু প্ৰয়োজনীয় চিকিৎসা সেৱা প্ৰদান নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে।

# তামুলপুৰ জিলা লেখিকা সমাজৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন

**অসম ভূমি সেৱা, তামুলপুৰ ঃ** অসম লেখিকা সমাজৰ অন্তৰ্গত তামুলপুৰ জিলা লেখিকা সমাজৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস যোৱা ১১ জুলাইত তামুলপুৰ শাখা সাহিত্য সভাৰ সাহিত্য ভৱনত পৰিৱেশত পালন কৰা হয়। মুকলি সভাৰ আৰম্ভণি হয় সমবেত সংগীতেৰে। উক্ত সংগীতটোৰ গীত ৰচনা কৰে অসম লেখিকা সমাজৰ সভাপতি পদুমী গগৈয়ে আৰু সুৰ সংযোজন কৰে সংগীত সম্পাদক বৰ্ণালী দত্ত বৰাই। সংগীত পৰিৱেশনত অংশগ্ৰহণ কৰে তামুলপুৰ জিলা লেখিকা সমাজৰ সদস্যা ভাৰতী পাঠক, লিপিকা পাঠক, ডালিমী তালুকদাৰ, সবিতা কলিতা আৰু প্ৰেমদা ঠাকুৰীয়াই। ইয়াৰ পিছতে অৱসৰপ্ৰাপ্ত শিক্ষয়ত্ৰী ভাৰতী পাঠকে বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত স্মৃতি-তৰ্পণ কৰে। অনুষ্ঠানত তামুলপুৰস্থিত বিষ্ণুজ্যোতি জাতীয় বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়ত্ৰী পূৰ্ণিমা দাসে তামুলপুৰ জিলা লেখিকা সমাজৰ প্ৰাচীৰ-পত্ৰিকা 'সৃজনী' উন্মোচন কৰে। উক্ত সভাত উপস্থিত থাকে তামুলপুৰ শাখা সাহিত্য সভাৰ সম্পাদক অনুপ নাথ আৰু বাৰ্তা পখিলীৰ মুখ্য সম্পাদক ব্ৰজেন নাথ ডেকা।

# উত্তৰ গুৱাহাটীৰ ঘোঁৰামাৰাত বিষ্ণু ৰাভাৰ সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা




**অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী ঃ** উত্তৰ গুৱাহাটী ঘোঁৰামাৰাত সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি উত্তৰ গুৱাহাটী ঘোঁৰামাৰা এনাজৰী মহিলা সমিতিৰ উদ্যোগত ১৮ জুলাইত বিষ্ণুপ্ৰসাদ ৰাভা সংগীত আৰু বিষ্ণু ৰাভা সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। উত্তৰ গুৱাহাটী ঘোঁৰামাৰা সামাজিক হিতসাধিনী পুথিভঁৰালত অনুষ্ঠিত প্ৰতিযোগিতাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে এনাজৰী মহিলা সমিতিৰ সভানেত্ৰী প্ৰাঞ্জলিকা দাস ডেকাই। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সমাজকৰ্মী প্ৰমোদ কাকতি, লালমণি ঠাকুৰীয়া, শম্ভুৰাম কলিতা, বিশিষ্ট সংগীত শিল্পী ধীৰেশ্বৰ বড়ো, নৃত্য বিশাৰদ তৃষ্ণা দেৱী, কনক দাস, গোবিন্দ ঠাকুৰীয়া জিতেন্দ্ৰ ডেকা প্ৰমুখ্যে কেইবাজনো বক্তাই ভাষণ দি এনাজৰী মহিলা সমিতিয়ে সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সৃষ্টিৰাজিক উঠি অহা প্ৰজন্মৰ মাজত বিলাই দিয়াৰ যি মহান প্ৰচেষ্টা হাতত লৈছে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। বক্তাসকলে লগতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগতে অসমীয়া ভাষা, সাহিত্য, কৃষ্টি-সংস্কৃতি, সাংস্কৃতিক জগতলৈ আগবঢ়াই থৈ যোৱা মহান বৰঙণিৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত অভ্যাগতসকলক সম্বৰ্ধনা জ্ঞাপন কৰে এনাজৰী মহিলা সমিতিৰ সভানেত্ৰী প্ৰাঞ্জলিকা দাস ডেকা, উপ-সভাপতি হিৰণ নাথ, যুটীয়া সম্পাদিকাদ্বয় চনী কলিতা আৰু মৌচুমী কাকতি, সহকাৰী সম্পাদিকাদ্বয় ক্ৰমে বৰ্ণালী আঠপুৰীয়া আৰু দীপ্তি ডেকা, কোষাধ্যক্ষ নিবেদিতা কাকতি, সাংস্কৃতিক সম্পাদিকাদ্বয় ক্ৰমে কমলা কাকতি আৰু তৰালি ঠাকুৰীয়া, সদস্য লিজা ডেকা আৰু পিংকী কলিতাই। বিশিষ্ট কণ্ঠশিল্পী ধীৰেশ্বৰ বড়োৱে বিচাৰকৰ দায়িত্ব ৰূপায়ণ কৰা বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে ক্ৰমে কংকণ মিলি আৰু বাৰ্বীয়ে আৰু উদ্‌গনি বঁটা লাভ কৰে ক্ৰমে কৃষভ ৰাজকোঁৱৰ আৰু ৰেয়াঙ্ক শইকীয়াই। বিশিষ্ট নৃত্যশিল্পী তৃষ্ণা দেৱীয়ে বিচাৰকৰ দায়িত্ব ৰূপায়ণ কৰা নৃত্য প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে দৃষ্টিমণি হালৈ, অনন্যা ডেকা আৰু অনুস্মিতা বৰুৱাই। প্ৰতিযোগিতাৰ অন্তত বঁটা লাভ কৰা প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰা হয়। নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীসকলৰ লগতে আমন্ত্ৰিত শিল্পীসকলে গীত আৰু নৃত্য পৰিৱেশন কৰে।

# পাঠশালাত আছুৰ চিত্ৰাংকণ প্ৰতিযোগিতা

**পাঠশালা ঃ** ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে নিত্যানন্দ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত যোৱা দেওবাৰে চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সদৌ অসম ছাত্ৰ সন্থা আৰু ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ আহ্বানত কলাগুৰু আৰ্ট একাডেমী, নিত্যানন্দত আয়োজিত এই প্ৰতিযোগিতাখনত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ড° ভূপেন হাজৰিকাৰ জীৱন-দৰ্শন, শিল্প-সংস্কৃতি আৰু সৃষ্টিশীল আদৰ্শৰ সৈতে নতুন প্ৰজন্মক পৰিচিত কৰাৰ উদ্দেশ্যে আয়োজিত এই কাৰ্যসূচীত বিভিন্ন বয়সৰ শিক্ষাৰ্থীসকলে ৰং-তুলিকাৰে নিজৰ সৃজনশীল প্ৰতিভাৰ প্ৰকাশ ঘটায়। নিত্যানন্দ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা উজ্জ্বল পাটগিৰী, সভাপতি জিণ্টু পাটগিৰী, সহঃ সম্পাদক কৃশানু কলিতা, কলাগুৰু একাডেমীৰ সঞ্চালক মৃণ্ময় পাঠক উপস্থিত থাকে। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ ক শাখা আৰু ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ খ শাখাত অনুষ্ঠিত হোৱা উক্ত প্ৰতিযোগিতাত ক শাখাত অনুৰাগ দাসে (পঞ্চম শ্ৰেণী) প্ৰথম, গৌৰৱ কলিতা (পঞ্চম) ই দ্বিতীয় আৰু মৃশিতা তহবিলদাৰে (তৃতীয়) তৃতীয় পুৰস্কাৰ আৰু খ শাখাত নৱম শ্ৰেণীৰ জিজ্ঞাশু দাসে প্ৰথম, নীলমজ্যোতি বৰ্মনে দ্বিতীয় আৰু উজ্জ্বল নাৰায়ণ নাথে তৃতীয় পুৰস্কাৰ লাভ কৰে। ইপিনে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত পাঠশালাতো অনুষ্ঠিত কৰা হয় চিত্ৰাংকণ প্ৰতিযোগিতা। পাঠশালা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বজালী আৰ্ট একাডেমী, পাঠশালাৰ সহযোগত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাখন সদৌ অসম ছাত্ৰ সন্থা আৰু ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ আহ্বানত আয়োজন কৰা হয়।

### উদ্যোগ মন্ত্ৰী বিমল বড়াৰ নাথকুছিৰ মেগা ফুড পাৰ্ক পৰিদৰ্শন

# অসমত তৈয়াৰী ঢকুৱাৰ প্লেট-বাটি অষ্ট্ৰেলিয়ালৈ ৰপ্তানি




**অসম ভূমি সেৱা, নাথকুছিঃ** উদ্যোগ মন্ত্ৰী বিমল বড়াই যোৱা ১৮ জুলাইত নলবাৰী জিলাৰ টিহু নাথকুছিৰ নৰ্থ-ইষ্ট মেগা ফুড পাৰ্ক পৰিদৰ্শন কৰে। ইয়াৰ ছোনা গ'ল্ড এগ্ৰ', গ্ৰেইনটেক ইণ্ডিয়া প্ৰাইভেট লিমিটেড, গ্ৰিনটেক ফুড স্নেকছ, ছাগলনাইয়া ফুডছ প্ৰাইভেট লিমিটেড, হৰ হৰ ফুড এণ্ড বিভাৰেজ, ব্ৰিটিছ পেইন্ট, তামোল প্লেট মেকিং প্ৰাইভেট লিমিটেড, মেগা এণ্ড ফুডছ পটেটো লিমিটেডৰ কাৰখানা পৰিদৰ্শন কৰে। য'ত হালদিৰাম আলু চিপছ, হালদিৰাম পাঞ্জাবী টড়কা আলু ভুজিয়া, পশু খাদ্য, বাৰ্জাৰ পেইন্টৰ এক ভগ্নীসংস্থা ব্ৰিটিছ পেইন্ট ব্ৰেণ্ডৰ ৰং উৎপাদন হয়। তামোলৰ ঢকুৱাৰ পৰা প্লেট, বাটি আদি তৈয়াৰ কৰা থলুৱা উদ্যোগ তামোল প্লেট মেকিং প্ৰাঃলিঃৰ সামগ্ৰী অষ্ট্ৰেলিয়া, কলম্বিয়া আদি দেশলৈ ৰপ্তানি কৰা কথাটোৱে মন্ত্ৰীক আপ্লুত কৰে। উদ্যোগটোৰ সঞ্চালক মানৱেন্দ্ৰ পাঠকেৰে কথা পাতি এই উদ্যোগৰ সম্ভাৱনা, ব্যৱসায়িক লাভালাভ আদি সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে বুজ লয় আৰু ইয়াৰ প্ৰসাৰৰ বাবে সম্ভৱপৰ সকলো সহায়ৰ আশ্বাস প্ৰদান কৰে। এই পৰিদৰ্শন কালত মন্ত্ৰী বড়াক সংগ দিয়ে বিধায়ক নাৰায়ণ ডেকা, নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ লগতে উদ্যোগ বিভাগৰ বিষয়াসকলে। এই পৰিদৰ্শন কালত মন্ত্ৰী বড়াই আন কেইবাটাও উদ্যোগ কৰ্তৃপক্ষৰ সৈতে কথা পাতি তেওঁলোকৰ সুবিধা-অসুবিধাৰ বিষয়ে বুজ লয়। ইয়াৰ পাছতে মন্ত্ৰী উদ্যোগ মন্ত্ৰী বড়াই আজি সন্ধিয়াই পাঠশালাৰ উদ্যোগ পাম পৰিদৰ্শন কৰে। উদ্যোগ পামখনত থকা জয়পুৰ ফুডছ লিমিটেডৰ পেপাৰ বোট ব্ৰেণ্ডৰ কোকোনাট বাটাৰ, গুৱাভা জুচ, পাইনএপল জুচ আৰু মেংগো জুচ তৈয়াৰ কৰা কাৰখানাৰ লগতে অন্য কেইবাটাও উদ্যোগ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত জয়পুৰ ফুডছৰ সঞ্চালক স্বৰাজ বৈদৰ লগতে অন্য বিষয়াসকলৰ লগতো কথা পাতে। এই আলোচনাত উদ্যোগটোৰে সমুন্নত হৈ অহা পথৰ সমস্যাটোৰ সমাধানৰ যাৱতীয় ব্যৱস্থা কৰিবলৈ বিষয়াসকলৰ নিৰ্দেশ দিয়ে। এই পৰিদৰ্শন কালত বজালী জিলা পাৰ্থ মজুমদাৰকে ধৰি জিলা প্ৰশাসন আৰু উদ্যোগ বিভাগৰ বিষয়াসকলে সংগ দিয়ে।

### সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী
## অনলাইন প্ৰাইজমানি ৰচনা প্ৰতিযোগিতা

**ছয়গাঁওঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি 'শুদ্ধচিন্তা হোৱাটছএপ মঞ্চ'ৰ উদ্যোগত এখন অনলাইন প্ৰাইজমানি ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। 'ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ' শীৰ্ষক বিষয়ত ১০০০ ৰ পৰা ১২০০ ৰ ভিতৰত ১৮ বছৰৰ পৰা ২৫ বছৰ বয়সৰ লোকে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। ৰচনা হাতেলিখা, টাইপিং অথবা ইউনিক'ড লিপিত লিখি পিডিএফ কৰি তলত উল্লিখিত হোৱাটছএপ নম্বৰলৈ ১৫ আগষ্টৰ ভিতৰত পোৱাকৈ পঠিয়াব লাগিব। লগতে অংশগ্ৰহণকাৰীৰ সম্পূৰ্ণ নাম, ঠিকনা, ম'বাইল নম্বৰ আৰু বয়সৰ প্ৰমাণপত্ৰ পঠিয়াব লাগিব। বিজয়ী প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰতিযোগীক ক্ৰমে ২০০১ টকা, ১৫০১ টকা আৰু ১০০১ টকাৰ সৈতে মানপত্ৰ প্ৰদান কৰা হ'ব। ৰচনা প্ৰেৰণৰ হোৱাটছএপ নম্বৰ ক্ৰমে ৯৮৫৪৫ ৩৯০৬১, ৯৯৫৭৮ ৫৮৫৬২, ৮৬৩৮৬ ৯৯৭৮১। অহা ৮ ছেপ্টেম্বৰত প্ৰতিযোগিতাৰ ফলাফল ঘোষণাৰ লগতে ১৫ ছেপ্টেম্বৰৰ ভিতৰত পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব।

# ৰঙিয়াৰ পূৰ্ণিমা সঞ্চয়-ঋণদান সমবায় সমিতিৰ ত্ৰয়োদশ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**অসম ভূমি সেৱা, ৰঙিয়াঃ** ৰঙিয়াৰ পূৰ্ণিমা সঞ্চয় আৰু ঋণদান সমবায় সমিতি লিমিটেডৰ ত্ৰয়োদশ বাৰ্ষিক সাধাৰণ সভাখন যোৱা দেওবাৰে ৰঙিয়াৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। সমবায় সমিতিৰ উপাধ্যক্ষ যতীন চন্দ্ৰ ডেকাই আঁতধৰা বাৰ্ষিক অনুষ্ঠানৰ পতাকা উত্তোলন কৰে সমবায় সমিতিৰ অধ্যক্ষ অৰুণ কুমাৰ শৰ্মাই, ভাৰত মাতাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰে ৰঙিয়া সমজিলা আয়ুক্ত নৱজিৎ পাঠকে, বন্তি প্ৰজ্বলন কৰে সহকাৰ ভাৰতীৰ ৰাষ্ট্ৰীয় উপাধ্যক্ষ প্ৰশান্ত কুমাৰ বুজৰবৰুৱাই। বন্তি প্ৰজ্বলনৰ সমান্তৰালভাৱে দীপস্তোত্ৰ পৰিৱেশন কৰে শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰীসকলে। সমবায় সমিতিৰ অধ্যক্ষ অৰুণ কুমাৰ শৰ্মাৰ পৌৰোহিত্যত আৰু সঞ্চালক পৰিষদৰ সদস্যাৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে আৰম্ভ হয় সাধাৰণ সভাৰ কাৰ্যসূচী। সভাৰ উদ্দেশ্য ব্যাখ্যাৰ পিছতে কাৰ্য বিৱৰণী পাঠ কৰে দীনবন্ধু কলিতাই। শোক প্ৰস্তাৱ পাঠ কৰে দন্দেশ্বৰ মেধিয়ে। সভাত বিগত বছৰৰ কাম-কাজৰ খতিয়ান সম্বলিত সঞ্চালক পৰিষদৰ বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে উপাধ্যক্ষ যতীন চন্দ্ৰ ডেকাই। সভাখন উদ্বোধন কৰে ৰঙিয়া সমজিলা আয়ুক্ত নৱজিৎ পাঠকে। তেওঁ উদ্বোধনী ভাষণত পূৰ্ণিমা সঞ্চয় আৰু ঋণদান সমবায় সমিতি লিমিটেড ৰঙিয়াৰ লক্ষ্য আৰু উদ্দেশ্য তথা কৰ্মকৰ্তাসকলৰ কাম-




কাজত অভিভূত হৈ শলাগ লয়। লগতে অনাগত দিনত সমিতিক সহায়ৰ হাত আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। সভাত মুখ্য অতিথিৰূপে উপ-সহ পঞ্জীয়ক তপন কুমাৰ দাসে নিজৰ ভাষণত সমবায় সমিতিসমূহৰ দায়িত্ব, কৰ্তব্য আৰু কৰণীয় দিশৰ ওপৰত বিশ্লেষনাত্মক বক্তব্য ৰাখে। সমবায় বিভাগৰ পৰ্যবেক্ষক পীয়ুষ কলিতাই সমিতিৰ কৰ্মকৰ্তাসকলৰ কাম-কাজৰ শলাগ লয় আৰু সভাখনত উপস্থিতিৰ হাৰ দেখি ধন্যবাদ দিয়ে। তিনি শতাধিক সদস্য-সদস্যাৰ উপস্থিতিত অনুস্থিত সভাখনৰ সম্পূৰ্ণ নিয়মানুযায়ী পৰিচালিত হোৱাৰ আনুষ্ঠানিক ঘোষণা দিয়ে। এই সভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ হিচাব দাখিল কৰাৰ লগতে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে বাজেট গৃহীত হয়। পুলকেশ মজুমদাৰে আগবঢ়োৱা শলাগৰ শৰাই কাৰ্যসূচীৰ পিছত সভা সামৰণি ঘটে।

# নলবাৰীত মুক্তিযুঁজাৰু সন্মিলনৰ জিলা অধিৱেশন সম্পন্ন

**অসম ভূমি সেৱা, নলবাৰীঃ** নলবাৰী জিলা মুক্তিযুঁজাৰু সন্মিলনৰ যোৱা ১৯ জুলাইত জিলা অধিৱেশন সুচাৰুৰূপে সম্পন্ন হৈ যায়। নলবাৰী জিলা পুথিভঁৰালত দিনজোৱাকৈ আয়োজিত অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰে জিলা মুক্তিযুঁজাৰু সন্মিলনৰ উপদেষ্টা সত্যেন শৰ্মাই। জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক মৃণাল বৰ্মাই পৰিচালনা কৰা সভাত মুক্তিযুঁজাৰু সন্মিলনৰ ৰাজ্যিক সাধাৰণ সম্পাদক দিজেন্দ্ৰ মোহন শৰ্মা, ৰাজ্যিক পৰ্যবেক্ষক ৰোহিণী শৰ্মা




দলৈ, নৱজিৎ ঠাকুৰীয়া উপস্থিত থকাৰ লগতে অতিথি হিচাপে উপস্থিত থাকে ড° বিনয় ৰঞ্জন শৰ্মা, কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ কমল লহকৰ, কমলেশ্বৰ ডেকা, পৰেশ শৰ্মা, কামৰূপ গ্ৰাম্য জিলাৰ সাধাৰণ সম্পাদক অমৰজিৎ শইকীয়া, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত বিষয়া অজন শৰ্মাকে ধৰি বিভিন্নজন লোক। সভাৰ আৰম্ভণিতে দেশৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা সংগ্ৰামীসকলক স্মৰণ কৰা, তেওঁলোকৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়। এই সভাতে মুক্তিযুঁজাৰুসকলৰ পৰিয়ালৰ নিবনুৱা সদস্যক 'সন্মান পেন্সন' আঁচনি শীঘ্ৰেই কাৰ্যকৰী কৰা, জিলা মুক্তিযুঁজাৰু কাৰ্যালয় গৃহৰ নামত ৫০ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ দাবী জনায়। ইয়াৰ সমান্তৰালকৈ মুকুন্দ কাকতি আৰু ধৰ্ম ডেকাৰ নামত বিশেষ অনুষ্ঠান নামাংকৃত কৰাৰো সভাতে দাবী জনোৱা হয়। জিলা অধিৱেশনতে নলবাৰীৰ একমাত্ৰ জীৱিত মুক্তিযোদ্ধা কনক বৰ্মনক সভাপতি আৰু কনক বৰ্মাক সাধাৰণ সম্পাদক হিচাপে লৈ নতুন কমিটীখন গঠন কৰা হয়। উক্ত সভাতে মহেন্দ্ৰ মল্ল বুজৰবৰুৱাক কাৰ্যকৰী সভাপতি হিচাপে, ভূপেন কলিতা, লক্ষীৰাণী দাস, প্ৰশান্ত বৰ্মন আৰু কামাখ্যা বৰ্মনক উপ-সভাপতি, প্ৰশান্ত বৰ্মন আৰু প্ৰতুল কলিতাক সহকাৰী সম্পাদক হিচাপে লৈ নতুন কমিটীখন গঠন কৰা হয়।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah